Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

**কাৰ মতে কিমান নিহত?**


| | |
|---|---|
| এনডি টিভি | ৭০ |
| ইণ্ডিয়া টুডে | ৯০ |
| এবিপি নিউজ | ৯০০ |
| পাক চৰকাৰ | ২৬ |
| ভাৰত চৰকাৰ | তথ্য দিয়া নাই |

THURSDAY, MAY 8, 2025 ■ বৃহস্পতিবাৰ, ২৪ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩০ Guwahati, Assam ।। মূল্যঃ এটকা

## এলঅ'চিত নীৰিহৰ ওপৰত পাকিস্তানৰ গোলাবৰ্ষণ! ১৫ জনৰ মৃত্যু

পুঞ্চ, ৭ মে': কাশ্মীৰ সীমান্তত পুনৰ ৰক্তাক্ত হ'ল সাধাৰণ জনতা! পাকিস্তানৰ ৩ নং পৃষ্ঠাত






অপাৰেশ্যন সেন্দূৰৰ ফলত ধ্বংসস্তুপত পৰিণত পাকিস্তানস্থিত সন্ত্ৰাসবাদীৰ ঘাটি, কাষৰ ছবিত অভিযানৰ প্ৰেছ ব্ৰিফিং ভাৰতৰ

## দিকহাৰা ইছলামাবাদ! ২৫ মিনিটৰ ভিতৰতে ধ্বংস হ'ল সন্ত্ৰাসবাদীৰ ৯ টা ঘাটি

# প্ৰত্যুত্তৰ! শত্ৰুক সকীয়াই ভাৰতৰ 'অপাৰেশ্যন সেন্দূৰ'

● ধ্বংসস্তূপত বিলীন লস্কৰ, জৈছ, হিজবুলৰ ঘাটি, ভাৰতে চলোৱা সামৰিক অভিযানত বহু সন্ত্ৰাসবাদীৰ মৃত্যু



নতুন দিল্লী, ৭ মে': অৱশেষত পাকিস্তানৰ বিৰুদ্ধে গৰজি উঠিল ভাৰতীয় সেনাৰ মিছাইল। পেহেলগাম আক্ৰমণৰ প্ৰতিশোধস্বৰূপে পাকিস্তানৰ ভূখণ্ডত সংহাৰ চলালে ভাৰতীয় সেনাই। মঙলবাৰে নিশা পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত অৱস্থিত দ্বিতীয় পৃষ্ঠাত

## যুদ্ধ পৰিস্থিতি! অৰ্ধ-সেনা বাহিনীৰ ছুটী বাতিল

নতুন দিল্লী, ৭ মে': অপাৰেচন সেন্দূৰৰ অধীনত পাকিস্তানত হোৱা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৪ পৃষ্ঠাত

## 'এয়া নিৰীহক হত্যা কৰাৰ বাবে বিহা শাস্তি'

নতুন দিল্লী, ৭ মে': ভাৰতীয় সশস্ত্ৰ বাহিনীক 'অপাৰেচন সেন্দূৰ'ৰ বাবে ৩ পৃষ্ঠাত

## নিৰাপত্তাক লৈ গৃহ বিভাগৰ জৰুৰী বৈঠক

নতুন দিল্লী, ৭ মে': পেহেলগাম আক্ৰমণৰ প্ৰত্যুত্তৰ দি ৫ পৃষ্ঠাত

## অভিযানক লৈ চৰ্চাত ২ মহিলা সেনা বিষয়া

নতুন দিল্লী, ৭ মে': অপাৰেচন সেন্দূৰৰ অধীনত পাকিস্তানত ভাৰতৰ আক্ৰমণৰ পিছত চৰকাৰী প্ৰেছ ব্ৰিফিঙত দুগৰাকী জ্যেষ্ঠ মহিলা বিষয়া কৰ্নেল ছোফিয়া কুৰেশ্বী আৰু উইং কামাণ্ডাৰ ব্যোমিকা সিঙে নেতৃত্ব দিছিল। দুয়োগৰাকী বিষয়াই ভাৰতীয় স্থলসেনা, চতুৰ্থ পৃষ্ঠাত

**কৰ্ণেল ছোফিয়া আৰু উইং কমাণ্ডাৰ ব্যোমিকাই দিলে অভিযানৰ বিৱৰণ**

## সামৰণি পৰিল পঞ্চায়তৰ ভোটযুদ্ধৰ



ই-সংবাদ বিশেষ, ৭ মে': বুধবাৰে অনুষ্ঠিত হৈ গ'ল পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। ৫ পৃষ্ঠাত



অপাৰেশ্যন সেন্দূৰৰ পিছত পাকিস্তানৰ দৃশ্য, বুধবাৰে

## দুশ কিঃমিঃ দূৰত্বৰ পৰা সামৰিক অভিযান ভাৰতৰ

ই-সংবাদ, ৭ মে': বুধবাৰে পুৱতি নিশা প্ৰায় ১ বজাত সমগ্ৰ বিশ্ব শুই থকাৰ সময়তে ভাৰতীয় বায়ুসেনাই বাছি বাছি আক্ৰমণ কৰিলে পাকিস্তান অধিকৃত কাশ্মীৰত থকা ৯ টাকৈ সন্ত্ৰাসবাদীৰ ঘাটি। কেইবাখনো ৰাফেল বিমানেৰে উক্ত ঘাটিকেইটালৈ ৫ পৃষ্ঠাত

## অসমৰ ১৮ জিলাত ৰূপায়ণ যুদ্ধৰ আখৰা

ই-সংবাদ, ৭ মে': ৭ মে'ত মকড্ৰিল কৰাৰ কথা আছিল। সমগ্ৰ দেশৰ ৪০০ স্থানত ভাৰত চৰকাৰে ৪ পৃষ্ঠাত

## বাহাৱালপুৰত ভাৰতৰ সামৰিক অভিযান

## পুত্ৰ-ভাৰ্য্যাসহ মৃত্যু মাছুদ পৰিয়ালৰ ১০ সদস্যৰ

ই-সংবাদ, ৭ মে': বুধবাৰে পুৱা পাকিস্তানী সন্ত্ৰাসবাদীৰ ঘাটিত ভাৰতীয় সেনাই চলোৱা অপাৰেচন সিন্দূৰত নিহত হয় দুৰ্ধৰ্ষ ৫ পৃষ্ঠাত



## 'চিকেন নেক'ৰ জৰিয়তে ভাৰতত অনুপ্ৰৱেশৰ পৰিকল্পনা!

### চোৰাংচোৱাৰ তথ্যৰ পিছতে নিৰাপত্তা বৃদ্ধি

নতুন দিল্লী, ৭ মে': মাত্ৰ ২৫ মিনিটৰ ভিতৰতে ২৪টা আক্ৰমণ! মঙলবাৰে মাজ নিশা 'অপাৰেচন সিন্দূৰ'ৰ জৰিয়তে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত ৩ পৃষ্ঠাত

## অপাৰেশ্যন সেন্দূৰলৈ সমৰ্থন ৰাহুল গান্ধীৰ

দিল্লী, ৭ মে': পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত ভাৰতীয় সেনাৰ 'অপাৰেচন ৭ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰত্যুত্তৰ! শত্ৰুক সকীয়াই ভাৰতৰ

৯টা সন্ত্ৰাসবাদী লঞ্চ পেডত নিৰ্দয় আৰু নিখুঁত ক্ষেপণাস্ত্ৰ আক্ৰমণ কৰি ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে সন্ত্ৰাসবাদৰ মূল শিৰা বিচ্ছিন্ন কৰে। 'অপাৰেচন সেন্দুৰ' নামেৰে নামাকৰণ কৰা ভাৰতীয় সেনাৰ এই অভিযানত ২৪টা ক্ষেপণাস্ত্ৰৰ সহায়ত লস্কৰ-ই-তৈবা, জৈছ-ই-মহম্মদ, হিজবুল মুজাহিদীনৰ দৰে কুখ্যাত সংগঠনৰ মুখ্য কাৰ্যালয় আৰু প্ৰশিক্ষণ কেন্দ্ৰ ধ্বংস কৰা হয়। চৰকাৰী সূত্ৰ অনুসৰি এই আক্ৰমণত ৭০ৰো অধিক সন্ত্ৰাসবাদী নিহত হোৱাৰ লগতে ৬০ৰো অধিক সন্ত্ৰাসবাদী আহত হৈছে। লক্ষ্যণীয়ভাৱে, ভাৰতীয় সেনাৰ এই প্ৰত্যুত্তৰ আছিল পাকিস্তানৰ সন্ত্ৰাসবাদী নেটৱৰ্কৰ বিৰুদ্ধে ভাৰতৰ ইতিহাসৰ আটাইতকৈ বৃহৎ আৰু সাহসী আঘাত। উল্লেখ্য যে, যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাৰ পেহেলগামত সংঘটিত হোৱা ৰক্তাক্ত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি সঁহাৰি জনাই এই অভিযান চলোৱা হয়। ২২ এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল ২৫ জন ভাৰতীয় আৰু এজন নেপালী নাগৰিককে ধৰি ২৬ জন নিৰীহে। সেই সময়ত ধৰ্ম সুধি সুধি পুৰুষক সকলক হত্যা কৰিছিল সন্ত্ৰাসবাদীয়ে। এই আক্ৰমণৰ পিছতে ভাৰত চৰকাৰে পাকিস্তান ভিত্তিক সন্ত্ৰাসবাদী সংগঠন আৰু পাকিস্তানৰ চোৰাংচোৱা সংস্থা আইএছআইৰ এই আক্ৰমণত প্ৰত্যক্ষ সংযোগৰ তথ্য লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আক্ৰমণৰ লগে লগে কঠোৰ প্ৰতিশোধৰ সতৰ্কবাণী দি কয়, “যিসকলে এই নৃশংস কাণ্ড সংঘটিত কৰিছে, সিঁহতক বিশ্বৰ যিকোনো কোণৰ পৰাই বিচাৰি উলিওৱা হ'ব আৰু কল্পনাতকৈও অধিক শাস্তি বিহা হ'ব।” পেহেলগাম আক্ৰমণৰ পিছত শেহতীয়াকৈ ভাৰতে পাকিস্তানৰ বিৰুদ্ধে কেইবাটাও ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। পাকিস্তানৰ সৈতে ছেদ কৰা হৈছিল বাণিজ্যিক সম্পৰ্ক, বাতিল কৰা হৈছিল পাকিস্তানীৰ ভিছা। একে সময়তে ১৯৬০ চনত স্বাক্ষৰিত সিন্ধু জল চুক্তিও স্থগিত ৰখাৰ দৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল ভাৰতে। ইয়াৰ মাজতে ভাৰতে আৰম্ভ কৰিছিল সামৰিক কুচকাৱাজো। তাৰ পাছতে আজি পেহেলগামৰ নৃশংসতাৰ ১৪ দিন পিছত পাকিস্তানৰ ভূখণ্ডক লক্ষ্য কৰি সামৰিক অভিযান চলায় ভাৰতীয় সেনাই। উল্লেখ্য যে, পুৱা ১:০৫ বজাৰ পৰা আৰম্ভ হোৱা 'অপাৰেচন সিন্দুৰ' পুৱা ১:৩০ বজাত সম্পূৰ্ণ হয়, আৰু এই ২৫ মিনিটতে পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ৯টাকৈ ঘাটি তচনচ কৰে ভাৰতে। লক্ষ্যণীয় যে, ভাৰতীয় সেনা, নৌসেনা আৰু বায়ুসেনাৰ সমন্বিত অভিযানত ১৯৭১ চনৰ যুদ্ধৰ পিছত প্ৰথমবাৰৰ বাবে তিনিওটা বাহিনীয়ে একেলগে পাকিস্তানৰ বিৰুদ্ধে অভিযান চলাইছিল। এই অভিযানত ব্যৱহাৰ কৰা হৈছিল স্কেলপ ক্ৰুজ মিছাইল, যাৰ ৰেঞ্জ ২৫০ কিলোমিটাৰ, হামাৰ স্মাৰ্ট বোমা, যাৰ ৰেঞ্জ ৫০-৭০ কিলোমিটাৰ, আৰু ল'টাৰিং মিউনিয়ন বা কামিকাজে ড্ৰ'ন। চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত লক্ষ্য কৰি লোৱা ৯টা স্থানত ভাৰতীয় ভূখণ্ডৰ পৰা নিক্ষেপ কৰা হয় এই ক্ষেপনাস্ত্ৰ। মন কৰিবলগীয়া যে, ভাৰতীয় সেনাই আক্ৰমণৰ লক্ষ্য কৰি লোৱা ৯টা স্থানৰ ভিতৰত চাৰিটা পাকিস্তানত মূল ভূগুত আৰু ৫টা পাক-অধিকৃত কাশ্মীৰত অৱস্থিত আছিল। এই আক্ৰমণত পাকিস্তানৰ ভিতৰত ১০০ কিলোমিটাৰ গভীৰতাত অৱস্থিত জৈছ-ই-মহম্মদৰ মুখ্য কাৰ্যালয় বাহাৱালপুৰৰ মাৰ্কাজ সুভানআল্লাহ আৰু ৩০ কিলোমিটাৰ ভিতৰত অৱস্থিত লস্কৰ-ই-তৈবাৰ মুখ্য কাৰ্যালয় মুৰিডকেৰ মাৰ্কাজ টাইবাক ধ্বংস কৰা হয়। খবৰ অনুসৰি, এই সন্ত্ৰাসবাদী ঘাটিতে প্ৰশিক্ষণ লৈছিল ২০০৮ চনত মুম্বাই আক্ৰমণৰ সন্ত্ৰাসবাদী আজমল কাছাব আৰু ডেভিদ হেডলীৰ দৰে সন্ত্ৰাসবাদীয়ে। ইয়াৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা মাত্ৰ ৮ কিলোমিটাৰ দূৰত্বত থকা ছিয়ালকোটৰ চাৰ্জল কেম্প আৰু হিজবুল মুজাহিদীনৰ ঘাটি মেহমুনা জয়া কেম্প ধ্বংস কৰা হয়। ৩০ কিলোমিটাৰ ভিতৰৰ পাক অধিকৃত কাশ্মীৰৰ মুজাফফৰাবাদৰ ছাৱাই নালা শিবিৰ আৰু কোটলীৰ গুলপুৰ আৰু আব্বাছ শিবিৰৰ চৈয়দনা বিলাল শিবিৰ, ভীম্বাৰৰ বৰ্ণালা শিবিৰকো লক্ষ্য কৰি লোৱা হয়। চোৰাংচোৱাৰ খবৰ অনুসৰি, এই ঘাটিসমূহ আছিল সন্ত্ৰাসবাদীৰ ভাৰতৰ বিৰুদ্ধে পৰিকল্পনা, প্ৰশিক্ষণ আৰু অনুপ্ৰেৰণৰ কেন্দ্ৰ। ইফালে 'অপাৰেশ্যন সিন্দুৰ' সফল অভিযানৰ পিছত প্ৰতিৰক্ষা মন্ত্ৰালয়ে এক বিবৃতিত কয়, "পাকিস্তানৰ কোনো সামৰিক সংস্থাপন বা অসামৰিক আন্তঃগাঁথনি লক্ষ্য কৰা হোৱা নাছিল। লক্ষ্য নিৰ্বাচন আৰু আক্ৰমণৰ পদ্ধতিৰ ক্ষেত্ৰত ভাৰতে চৰম সংযম বৰ্তাই ৰাখিছে।" আক্ৰমণত অসামৰিক লোকৰ মৃত্যুৰ পৰা হাত সাৰিবলৈ নিখুঁত অস্ত্ৰ ব্যৱহাৰ কৰা হয়। অৱশ্যে পাকিস্তানে দাবী কৰিছে যে কমেও ৯ জন সাধাৰণ নাগৰিক নিহত আৰু ৩৮ জন আহত হৈছে। জইছ-ই-মহম্মদৰ মুৰব্বী মৌলানা মাছুদ আজহাৰে দাবী কৰা মতে, ভাৰতৰ এই সামৰিক অভিযানত তেওঁৰ জ্যেষ্ঠ ভগ্নী, স্বামী, এজন ভতিজা, তেওঁৰ পত্নী, এগৰাকী ভতিজী আৰু পাঁচটা সন্তান আৰু চাৰিজন সহযোগীকে ধৰি তেওঁৰ পৰিয়ালৰ ১০ জন সদস্য নিহত হয়। বহাৱালপুৰত তেওঁৰ সংগঠনৰ মুখ্য কাৰ্যালয়ত চলোৱা অভিযানৰ সময়ত নিহত হয় সন্ত্ৰাসবাদীটোৰ পৰিয়াল। ইফালে, ভাৰতৰ এই সামৰিক অভিযানৰ পিছত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে পাকিস্তানেও। পাকিস্তানে এই আক্ৰমণক তীব্ৰ গৰিহণা দি প্ৰতিশোধৰ ভাবুকি প্ৰদান কৰিছে। পাকিস্তানৰ সামৰিক মুখপাত্ৰ লেফটেনেণ্ট জেনেৰেল আহমেদ শ্বৰীফ চৌধাৰীয়ে কয় যে পাকিস্তানে উপযুক্ত সময় আৰু স্থানত এই অভিযানৰ প্ৰত্যুত্তৰ দিব। প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফেও ইয়াক “যুদ্ধৰ আৰম্ভণি” বুলি অভিহিত কৰি কয় যে পাকিস্তানে তীব্ৰ সঁহাৰি দিব। ভাৰতৰ সামৰিক অভিযানৰ পিছতে পাকিস্তানে ৪৮ ঘণ্টাৰ বাবে নিজৰ আকাশমাৰ্গ সম্পূৰ্ণৰূপে বন্ধ ঘোষণা কৰিছে। একে সময়তে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানে আৰম্ভ কৰিছে গোলাবৰ্ষণ। ভাৰত চৰকাৰৰ মতে, নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানৰ এই গুলীবৰ্ষণত দহজন ভাৰতীয় নাগৰিক নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হৈছে। পাকিস্তানৰ এই স্থল আক্ৰমণৰ প্ৰত্যুত্তৰ দিছে ভাৰতীয় সেনাইও। উল্লেখ্য যে, 'অপাৰেচন সিন্দুৰ' নামটোৰ বিশেষ তাৎপৰ্য আছে। 'সিন্দুৰ' হিন্দু বিবাহিত মহিলাৰ বাবে শুভকামনাৰ প্ৰতীক। পেহেলগাম আক্ৰমণত যিসকল মহিলাৰ স্বামী নিহত হৈছিল, তেওঁলোকৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাবেই এই সামৰিক অভিযানৰ নাম ৰখা হয় অপাৰেচন সিন্দুৰ। সূত্ৰৰ পৰা জানিব পৰা মতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই এই নাম বাছি লৈছিল। গোটেই নিশা মোদীয়ে এই অভিযানৰ তদাৰক কৰিছিল। আক্ৰমণৰ লগে লগে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে আমেৰিকাৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ লগতে আমেৰিকা, ব্ৰিটেইন, চৌদি আৰব, সংযুক্ত আৰব আমিৰশ্বাহী আৰু ৰাছিয়াৰ প্ৰতিনিধিৰ সৈতে কথা পাতি এই অভিযানৰ সবিশেষ তথ্য দিয়ে। ইফালে অপাৰেচন সিন্দুৰ সন্দৰ্ভত আজি এক সংবাদমেল সম্বোধন কৰে ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰী, কৰ্ণেল ছফিয়া কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙে। মিশ্ৰীয়ে কয় যে পাকিস্তানে দীৰ্ঘদিন ধৰি সীমান্তৰ সিপাৰে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি আহিছে। পেহেলগাম আক্ৰমণৰ তদন্তত পাকিস্তানৰ সৈতে সন্ত্ৰাসবাদীৰ সম্পৰ্ক স্পষ্ট হৈ পৰিছে। তেওঁ কয় যে এই অভিযান “মধ্যমীয়া, অপ্ৰৰোচনামূলক আৰু দায়িত্বশীল”। ইফালে, এই অভিযানে ভাৰতৰ কৌশলগত স্থিতিত এক নতুন মাত্ৰা সংযোজন কৰিলে। ২০১৬ চনৰ উৰি চাৰ্জিকেল ষ্ট্ৰাইক আৰু ২০১৯ চনৰ বালাকোট এয়াৰষ্ট্ৰাইকতকৈ এই অভিযান আছিল বহুত বেছি বিস্তৃত আৰু প্ৰযুক্তিগতভাৱে উন্নত। সূত্ৰসমূহে জনোৱা মতে, ২০১৯ চনত বালাকোট আক্ৰমণৰ সময়ত বাহাৱালপুৰ আৰু কোটলীক লক্ষ্য হিচাপে গণ্য কৰা হৈছিল যদিও তাৰ পিছত আগ্ৰাসনৰ অভিযোগৰ পৰা হাত সাৰিবলৈ বাদ দিয়া হৈছিল। এইবাৰ ভাৰতে স্পষ্ট বাৰ্তা দিছে যে সন্ত্ৰাসবাদীৰ কোনো আশ্ৰয়স্থল নিৰাপদ নহয়। ভাৰতৰ ভিতৰতে এই অভিযানে ব্যাপক সমৰ্থন লাভ কৰিছে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী, মমতা বেনাৰ্জী, এম কে ষ্টেলিন, তেজস্বী যাদৱ, আছাদুদ্দিন ওৱেছিকে ধৰি ৰাজনৈতিক নেতাই সেনাক প্ৰশংসা কৰিছে। পেহেলগাম আক্ৰমণত নিহত হোৱা শুভম দ্বিবেদীৰ পত্নী অশন্যাই কয়, "প্ৰধানমন্ত্ৰী আৰু সেনাই মোৰ স্বামীৰ মৃত্যুৰ প্ৰতিশোধ লৈছে।' সন্তোষ জগদলেৰ কন্যা আশবাৰী জগদলেই কয়, 'আমাৰ আনন্দৰ চকুলো বন্ধ হোৱা নাই।' নৌসেনাৰ লেফটেনেণ্ট বিনয় নৰৱালৰ পিতৃ ৰাজেশ নৰৱালে কয় যে এই আক্ৰমণে সন্ত্ৰাসবাদীক ভাৰতৰ প্ৰতি আঙুলি তোলাৰ পৰিণাম সোঁৱৰাই দিব। অন্যহাতে, পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ সামৰিক অভিযানক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আন্তঃৰাষ্ট্ৰীয় মহলত। আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ই কয় যে তেওঁ পৰিস্থিতি নিৰীক্ষণ কৰি আছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছেও “সৰ্বোচ্চ সামৰিক সংযম”ৰ আহ্বান জনায়। ইফালে ভাৰতৰ শ্ৰীনগৰ, জম্মু, অমৃতসৰ, লেহ, চণ্ডীগড়, ধৰ্মশালা, বিকানেৰ আৰু যোধপুৰলৈ বিমান সেৱা বাতিল কৰা হৈছে। দিল্লী বিমানবন্দৰত বাতিল কৰা হৈছে ১৪০খন বিমানৰ চলাচল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'চিকেন নেক'ৰ জৰিয়তে ভাৰতত

ক্ষেপনাস্ত্ৰ আক্ৰমণ চলায় ভাৰতীয় সেনাই। সেনাৰ সূত্ৰ অনুসৰি এই অভিযানত কেইবাটাও সন্ত্ৰাসবাদী ঘাটি ধ্বংস হৈছে। এই অভিযানৰ পিছত পৰিস্থিতিক লৈ উত্তেজনা বিয়পি পৰিছে। সীমান্তত জাৰি কৰা হৈছে সতৰ্কবাণী। নিয়ন্ত্ৰণ ৰেখাত সেনাৰ নিয়োগ বৃদ্ধি কৰা হৈছে। সমগ্ৰ দেশত হাই এলাৰ্ট জাৰি কৰা হৈছে। গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে শত্ৰুক কেতিয়াও দুৰ্বল বুলি গণ্য কৰা উচিত নহয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে বিএছএফ, চিআৰপিএফ, আইটিবিপি, এছএছবি, চিআইএছএফকে ধৰি সকলো অৰ্ধসামৰিক বাহিনীৰ জোৱানৰ ছুটী বাতিল কৰাৰ লগতে কৰ্তব্যস্থানলৈ ঘূৰি অহাৰ নিৰ্দেশ দিছে। নিৰাপত্তা বাহিনীক সাজু হ'বলৈ কোৱা হৈছে। এনে পৰিস্থিতিত 'চিকেন নেক' এলেকাতো সতৰ্কতা বৃদ্ধি কৰা হৈছে। শিলিগুৰি কৰিড'ৰ নামেৰেও জনাজাত এই অঞ্চলটোৱে ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহক মূল ভূখণ্ডৰ সৈতে সংযোগ কৰে। নেপাল, ভূটান, বাংলাদেশৰ সীমান্তৰ লগত সংলগ্ন এই কৰিড'ৰৰ প্ৰস্থ আটাইতকৈ সংকীৰ্ণ, অৰ্থাৎ মাত্ৰ ২০ কিলোমিটাৰ। সামৰিক সূত্ৰ অনুসৰি তিনিওখন দেশৰ সীমান্তৰ ওচৰত থকাৰ বাবে এই অঞ্চলৰ মাজেৰে অস্ত্ৰ-শস্ত্ৰ, ড্ৰাগছ, জাল নোটৰ সৰবৰাহ বিগত সময়ত বহুবাৰ ধৰা পৰিছে। চোৰাংচোৱাৰ প্ৰতিবেদন অনুসৰি, এই কৰিড'ৰৰ জৰিয়তে ভাৰতত অনুপ্ৰৱেশৰ পথ নিৰ্মাণৰ পৰিকল্পনা কৰিছে সন্ত্ৰাসবাদীয়ে। পৰিস্থিতিৰ ভয়াৱহতাক বিবেচনা কৰি এই অঞ্চলত চোৰাংচোৱাগিৰিও শক্তিশালী কৰা হৈছে। সেনাৰ সূত্ৰই জনোৱা মতে, কাশ্মীৰৰ পেহেলগামত ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে 'অপাৰেচন সিন্দুৰ' আৰম্ভ কৰা হৈছিল। উল্লেখ্য যে, পেহেলগামত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণত নিহত হৈছিল ২৬ জনকৈ নিৰীহৰ। এই আক্ৰমণৰ আঁৰত পাকিস্তানৰ সম্পৰ্ক নিশ্চিত হোৱাৰ পিছতে মঙলবাৰে নিশা পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ ৯টা নিৰ্দিষ্ট স্থানত একাধিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাৰ লগতে আক্ৰমণ সংঘটিত কৰে ভাৰতীয় সেনাই। এই ঘটনাৰ পিছত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে কয় যে ভাৰতে আক্ৰমণ নকৰিলে পাকিস্তানে 'অযুক্তিকৰ প্ৰতিক্ৰিয়া' দেখুৱাব নোৱাৰে। পাকিস্তান সেনাই কয় যে উপযুক্ত সময়ত সঁহাৰি দিয়া হ'ব। দুয়োখন দেশৰ মাজত কূটনৈতিক আৰু সামৰিক পৰ্যায়ত উত্তেজনা বৃদ্ধি পাইছে। ভাৰতে সম্প্ৰতি সীমান্ত অঞ্চলকে ধৰি দেশৰ গুৰুত্বপূৰ্ণ স্থানত চোৰাংচোৱাগিৰি আৰু সতৰ্কতা বৃদ্ধি কৰিছে।চোৰাংচোৱা সংস্থাই ৰাজ্য প্ৰশাসনক সজাগৰ আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এলঅ'চিত নীৰিহৰ ওপৰত পাকিস্তানৰ

ভূখণ্ডত ভাৰতীয় সেনাৰ সন্ত্ৰাসবাদ বিৰোধী 'অপাৰেচন সিন্দুৰ' সামৰিক অভিযানৰ পিছতে হতাশা স্পষ্ট হৈ পৰে পাকিস্তানৰ। এই অভিযানৰ পিছতে বুধবাৰে পুৱাৰে পৰা পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ কাষত ভাৰতৰ ভূখণ্ডত গোলাবৰ্ষণ কৰিবলৈ আৰম্ভ কৰে। পাকিস্তানী সেনাৰ এই গুলীবৰ্ষণত দুটি শিশুকে ধৰি ১৫ জন সাধাৰণ নাগৰিক নিহত হয়। ইয়াৰোপৰি আহত হৈছে কমেও ৩০ জন।সীমান্তত সৃষ্টি হোৱা এই উত্তেজনাৰ পৰিপ্ৰেক্ষিতত বাংকাৰত আশ্ৰয় ল'বলৈ বাধ্য হয় আতংকিত স্থানীয় লোকসকলে। প্ৰশাসনৰ নিৰ্দেশত পুঞ্চকে ধৰি পাঁচখন জিলাৰ সকলো বিদ্যালয়-মহাবিদ্যালয় বন্ধ কৰা হৈছে। উল্লেখ্য যে, মঙলবাৰে মাজনিশা ভাৰতে পাকিস্তানৰ বিৰুদ্ধে প্ৰতিশোধ লয়। পেহেলগামত ২৬ জন সাধাৰণ নাগৰিকৰ মৃত্যু হোৱা ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত 'অপাৰেচন সিন্দুৰ'ৰ জৰিয়তে ৯টা সন্ত্ৰাসবাদী শিবিৰক লক্ষ্য কৰি লয়। বাহাৱালপুৰৰ জৈছৰ ঘাটি, মুৰিদকেৰ লস্কৰ আৰু অন্যান্য অঞ্চলৰ হিজবুল মুজাহিদীনৰ ঘাটি ক্ষেপণাস্ত্ৰ আক্ৰমণত ধ্বংস হয়। এই আক্ৰমণত ৮০ৰো অধিক উগ্ৰপন্থী নিহত হোৱাৰ খবৰ পোৱা গৈছে। এই ঘটনাৰ পিছত পাকিস্তানী সেনাই সীমান্তৰ সাধাৰণ নাগৰিকক লক্ষ্য কৰি ল'বলৈ আৰম্ভ কৰে। ভাৰতীয় সেনাৰ প্ৰতিশোধমূলক সঁহাৰিৰ পিছতো এই প্ৰচণ্ড গুলীচালনাত কমেও ১৫ জন কাশ্মীৰীয়ে প্ৰাণ হেৰুৱায়। সাধাৰণ মানুহে কয় যে ঘৰবোৰ ধ্বংস হৈছে, আৰু চৌপাশ যুদ্ধক্ষেত্ৰলৈ পৰিণত হৈ পৰে। আটাইতকৈ ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হয় পুঞ্চ অঞ্চলত। স্থানীয় লোকে জনোৱা মতে, গোটেই নিশা বিস্ফোৰণৰ ফলত মাটি কঁপিছিল আৰু ৰাতিপুৱালৈকে অঞ্চলটো ধ্বংসাৱশেষেৰে আবৃত হৈ পৰিছিল। আনহাতে এই পৰিস্থিতিত ৰাজনৈতিক মহলতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বুধবাৰে পুৱা জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়। পিছত তেওঁ সাংবাদিকৰ আগত কয় যে আমি যুদ্ধ নিবিচাৰো, পৰিস্থিতি স্বাভাৱিক হোৱাটো বিচাৰো। কিন্তু তাৰ বাবে পাকিস্তানে অস্ত্ৰ-শস্ত্ৰ এৰিব লাগিব। একে সময়তে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিএছএফ, সেনা আৰু ৰাজ্য প্ৰশাসনৰ সৈতে নিয়মীয়াকৈ বৈঠকত মিলিত হৈ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা কৰি আছে। সীমান্তৱৰ্তী গাঁৱৰ পৰা মানুহক উলিয়াই নিৰাপদ স্থানলৈ প্ৰেৰণ কৰা হৈছে। ভাৰত চৰকাৰে স্পষ্ট কৰি দিছে যে 'অপাৰেচন সিন্দুৰ' এক নিৰ্দিষ্ট, সীমিত আৰু কাৰ্যকৰী সঁহাৰি। আন্তঃৰাষ্ট্ৰীয় সমাজকো সন্ত্ৰাসবাদক সমৰ্থন কৰাসকলৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিবলৈ বাৰ্তা প্ৰদান কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'এয়া নিৰীহক হত্যা কৰাৰ বাবে

প্ৰশংসা কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে এই পদক্ষেপে নিৰীহ নাগৰিকসকলক লক্ষ্য কৰি হত্যা কৰাসকলক নিশ্চিহ্ন কৰিছে। নতুন দিল্লীত সীমান্ত পথ সংস্থাৰ দ্বাৰা ৫০ টা নতুন আন্তঃগাঁথনি প্ৰকল্পৰ শুভাৰম্ভণী অনুষ্ঠানত ভাষণ দি তেওঁ এইদৰে কয়- "এই অভিযানে কেৱল আমাৰ সামৰিক নিখুঁততাই নহয়, আমাৰ নৈতিক সংযমকো প্ৰতিফলিত কৰে। ভগৱান হনুমানৰ ভাষাত: 'জিন মোহি মাৰা, টিন মোহি মাৰে'। ইয়াৰ অৰ্থ হৈছে আমি কেৱল তেওঁলোকক আঘাত কৰিছিলো যিসকলে আমাৰ নিৰীহ লোকৰ ক্ষতি কৰিছিল।" পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ (পিঅ'কে) সন্ত্ৰাসবাদী শিবিৰসমূহত হোৱা নিখুঁত আক্ৰমণ সন্দৰ্ভত তেওঁ কয়, "আপোনালোক সকলোৱে জানে, যোৱানিশা ভাৰতীয় সেনাবাহিনীয়ে তেওঁলোকৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি এক নতুন ইতিহাস ৰচনা কৰে। ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে নিখুঁততা, সতৰ্কতা আৰু সংবেদনশীলতাৰে কাম কৰিছে। আমি নিৰ্ধাৰণ কৰা লক্ষ্যবোৰ পৰিকল্পিত পৰিকল্পনা অনুসৰি নিখুঁতভাৱে ধ্বংস কৰা হৈছে।" জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত এক ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণত ২৫ জন পৰ্যটক আৰু এজন স্থানীয় পনি ৰাইড অপাৰেটৰ নিহত হোৱাৰ পিছত এই পদক্ষেপ লোৱা হয়। সিঙে কয় যে আক্ৰমণত জড়িত সন্ত্ৰাসবাদীৰ সীমান্তৰ সিপাৰে সম্পৰ্ক আছিল আৰু অনুসন্ধানত পাকিস্তান জড়িত থকাটো প্ৰমাণিত হৈছিল, যি ভাৰতৰ ভূমিত পূৰ্বেও আক্ৰমণৰ পৃষ্ঠপোষকতা কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰতীয় সশস্ত্ৰ বাহিনীক তেওঁলোকৰ সফল অভিযানৰ বাবে ধন্যবাদ জনায়। তেওঁ লগতে কয়, " সেনাই একপ্ৰকাৰৰ নিখুঁততা, সাৱধানতা আৰু সহানুভূতি প্ৰদৰ্শন কৰিছে যাৰ বাবে মই সমগ্ৰ দেশৰ হৈ আমাৰ সৈনিক আৰু সেনা বিষয়াসকলক অভিনন্দন জনাইছোঁ।" প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি শক্তিশালী সঁহাৰি দিবলৈ নিজৰ অধিকাৰ ব্যৱহাৰ কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধ পৰিস্থিতি! অৰ্ধ-সেনা বাহিনীৰ

সামৰিক সক্ষমতা বৃদ্ধি কৰিবলৈ গৃহমন্ত্ৰী অমিত শ্বাহে সকলো অৰ্ধসামৰিক বাহিনীৰ মুৰব্বীক বৰ্তমান ছুটীত থকা কৰ্মচাৰীসকলক ওভতাই আনিবলৈ নিৰ্দেশ দিছে। পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ (পিঅ'কে) ৯ টা সন্ত্ৰাসবাদী শিবিৰত বুধবাৰে ভাৰতৰ মিছাইল আক্ৰমণৰ পিছত এই নিৰ্দেশ দিয়া হয়। সেনা, বায়ুসেনা আৰু নৌসেনাৰ দ্বাৰা যুটীয়াভাৱে সম্পাদন কৰা এই নিখুঁত অভিযানত জইছ-ই-মহম্মদ (জেইএম), লস্কৰ-ই-তৈবা (এলইটি) আৰু হিজবুল মুজাহিদীন সন্ত্ৰাসবাদীৰ কেন্দ্ৰসমূহক লক্ষ্য কৰি লোৱা হৈছিল। যাৰ ভিতৰত আছে বাহাৱালপুৰত জইছ-ই-মহম্মদৰ ঘাটি আৰু মুৰিদকেত এলইটিৰ মুখ্য কাৰ্যালয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বিষয়াসকলে প্ৰকাশ কৰা মতে এই আক্ৰমণবোৰ "কেন্দ্ৰীভূত, পৰিমাপিত আৰু নন-এস্কেলেটৰী" আছিল, যি সকলো পাকিস্তানী সামৰিক আন্তঃগাঁথনি সাৱধানে পৰিহাৰ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ অভিযানটো প্ৰথমৰ পৰা শেষলৈ নিৰীক্ষণ কৰিছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য, ২২ এপ্ৰিলৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত এজন নেপালী নাগৰিকসহ ২৬ জন নিহত হোৱাৰ প্ৰতিক্ৰিয়াস্বৰূপে এই আক্ৰমণ আৰম্ভ কৰা হৈছিল। জানিব পৰা মতে ভাৰতৰ প্ৰত্যাক্ৰমণটোত ৮০ তকৈও অধিক সন্ত্ৰাসবাদীক নিৰ্মূল কৰা হৈছিল, যাক চলিত সময়ৰ আটাইতকৈ ব্যাপক প্ৰতিশোধমূলক কাৰ্য হিচাপে গণ্য কৰা হৈছে। ভাৰতে ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া আৰু অন্যান্য বিশ্বশক্তিক এই অভিযানৰ উদ্দেশ্যৰ বিষয়ে অৱগত কৰি ইয়াক 'সম্পূৰ্ণ পৰিমাণৰ সংঘৰ্ষলৈ বৃদ্ধি নোহোৱাকৈ সীমান্তপাৰৰ সন্ত্ৰাসবাদী নেটৱৰ্ক ধ্বংস কৰা' হিচাপে ব্যাখ্যা কৰা হৈছে। পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ থকাৰ সময়তে এক্স (পূৰ্বতে টুইটাৰ) ত প্ৰাক্তন সেনাপ্ৰধান জেনেৰেল মনোজ নাৰাভানেই এটা পোষ্টত এইদৰে লিখে- "অভি পিকচাৰ বাকী হে...", যি পৰৱৰ্তী সামৰিক পদক্ষেপৰ আভাস দিয়ে। প্ৰতিৰক্ষা বিশ্লেষক নিতিন এ. গোখলেয়ে এই অনুভূতিৰ প্ৰতিধ্বনি কৰি এইদৰে পোষ্ট কৰিছেঃ "অপাৰেচন সেন্দুৰ। প্ৰথম পৰ্যায় সম্পন্ন হৈছে। অধিক আহি আছে নেকি? কোনে জানে।" পাকিস্তান চৰকাৰে এই ষ্ট্ৰাআকক "যুদ্ধৰ কাৰ্য" বুলি অভিহিত কৰি প্ৰতিশোধ লোৱাৰ সতৰ্কবাণী দিছে। সেয়েহে ভাৰতে নিজৰ বাহিনীক সতৰ্কতাত ৰাখিছে। সীমান্তৱৰ্তী ৰাজ্যৰ বিমানবন্দৰ নিৰীক্ষণৰ অধীনত আছে আৰু তৎপৰতা বৃদ্ধি কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিযানক লৈ চৰ্চাত ২ মহিলা সেনা

নৌসেনা আৰু বায়ু সেনাৰ দ্বাৰা সম্পন্ন কৰা আক্ৰমণৰ বিৱৰণ আৰু অভিপ্ৰায় ৰাষ্ট্ৰৰ আগত বৰ্ণনা কৰিছিল। মহিলা বিষয়াকেইগৰাকীৰ দ্বাৰা অপাৰেচন সেন্দুৰৰ ওপৰত উচ্চ পৰ্যায়ৰ ব্ৰিফিং নিজেই এক শক্তিশালী বিবৃতি আছিল। ই কেৱল সন্ত্ৰাসবাদৰ সমাপ্তিৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰাই নহয়, প্ৰাণ হেৰুওৱাসকলৰ বিধৱা পত্নীসকলকো সন্মানিত কৰে। লেফটেনেণ্ট কৰ্নেল ছোফিয়া কুৰেশী ভাৰতীয় সেনাৰ ক'ৰ্প্ছ অৱ ছিগনেলৰ এগৰাকী বিষয়া যাৰ শান্তি ৰক্ষাৰ ভূমিকাত বহু বছৰৰ অভিজ্ঞতা আছে। ২০১৬ চনত তেওঁ বহুজাতিক ক্ষেত্ৰ প্ৰশিক্ষণ অনুশীলনত ভাৰতীয় সেনাৰ দলৰ নেতৃত্ব দিয়া প্ৰথম মহিলা বিষয়া হয়, য'ত আছিয়ান প্লাছ (ASEAN Plus) দেশসমূহ অন্তৰ্ভুক্ত আছিল। সেই সময়ত ই ভাৰতৰ ভূমিত এতিয়ালৈকে অনুষ্ঠিত সৰ্ববৃহৎ স্থল বাহিনীৰ অনুশীলন আছিল। লেঃ কৰ্নেল কুৰেশী ২০১০ চনৰ পৰা শান্তি ৰক্ষাৰ দায়িত্বৰ সৈতে জড়িত আছিল। তেওঁ ২০০৬ চনতে কংগোত ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা অভিযানত সামৰিক পৰ্যবেক্ষক হিচাপেও সেৱা আগবঢ়াইছিল। লেফটেনেণ্ট কৰ্নেল কুৰেশী গুজৰাটৰ এটা সামৰিক পৰিয়ালৰ জীয়ৰী। তেওঁৰ ককাক আৰু দেউতাক দুয়ো সেনাত সেৱা আগবঢ়াইছিল। ১৯৯৯ চনত অফিচাৰ ট্ৰেইনিং একাডেমিৰ জৰিয়তে কমিছন কৰা কুৰেশীক ভাৰতৰ বিভিন্ন অঞ্চলত নিযুক্তি দিয়া হৈছে, যাৰ ভিতৰত আছে বিদ্ৰোহ-বিৰোধী এলেকা, ছিগনেল ৰেজিমেণ্ট আদি। সামৰিক সাফল্যৰ উপৰি তেওঁ জৈৱ ৰসায়নত স্নাতকোত্তৰ ডিগ্ৰীৰ অধিকাৰী। উইং কামাণ্ডাৰ ব্যোমিকা সিং ভাৰতীয় বায়ুসেনাৰ এগৰাকী হেলিকপ্টাৰ পাইলট যাৰ ২,৫০০ ঘণ্টাতকৈও অধিক উৰণৰ অভিজ্ঞতা আছে। তেওঁৰ শৈশৱৰ সশস্ত্ৰ বাহিনীত যোগদানৰ সপোন ৰাষ্ট্ৰীয় কেডেট ক'ৰ্প্ছ (এনচিচি)ৰ পৰা আৰম্ভ হৈছিল। অভিযান্ত্ৰিক অধ্যয়ন সম্পূৰ্ণ কৰাৰ পিছত তেওঁ সামৰিক বাহিনীত যোগদান কৰিছিল। তেওঁক ২০১৯ ৰ ১৮ ডিচেম্বৰত ভাৰতীয় বায়ুসেনাত নিযুক্তি দিয়া হৈছিল আৰু ইয়াৰ পিছত তেওঁ উৰণ শাখাত স্থায়ী কমিছন লাভ কৰিছিল। বিগত বছৰবোৰত তেওঁ জম্মু-কাশ্মীৰ আৰু উত্তৰ-পূবৰ দৰে অঞ্চলত চেতক আৰু চিতা আদি হেলিকপ্টাৰ উৰুৱাইছিল। তেওঁ কেইবাটাও উদ্ধাৰ অভিযানত জড়িত আছিল। ২০২০ চনৰ নৱেম্বৰ মাহত তেওঁ অৰুণাচল প্ৰদেশত এক উচ্চ বিপদাশংকাযুক্ত স্থানান্তৰ অভিযানৰ নেতৃত্ব দিছিল। সাধাৰণ লোকক উদ্ধাৰ কৰিবলৈ তেওঁ প্ৰতিকূল বতৰ আৰু দূৰৱৰ্তী অঞ্চলৰ মাজেৰে হেলিকপ্টাৰ উৰুৱাইছিল। ২০২১ চনত তেওঁ ২১,৬৫০ ফুট উচ্চতাৰ মাউণ্ট মণিৰাঙলৈ ত্ৰি-সেৱাৰ সৰ্ব-মহিলা পৰ্বতাৰোহণত অংশগ্ৰহণ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ ১৮ জিলাত ৰূপায়ণ যুদ্ধৰ

মকড্ৰিল কৰিবলৈ নিৰ্দেশ দিয়াত দুদিন পূৰ্বৰ পৰা দেশৰ বিভিন্ন সংস্থা আৰু ৰাজ্য চৰকাৰসমূহে মকড্ৰিল কৰিবলৈ সাজু হৈ আছিল যদিও ভাৰতীয় সেনাই ৬ মে'ৰ নিশাই পাকিস্তানত এয়াৰ ষ্ট্ৰাইক সংঘটিত কৰি ৭ মে'ৰ পুৱাই দেশবাসীক বিশেষ উপহাৰ দিলে। পাক অধীকৃত কাশ্মীৰৰ ৯ স্থানত ভাৰতীয় তিনি সেনাই নিশা ১ বজাৰ পৰা ডেৰ বজাৰ ভিতৰত ৯ টা স্থানত এয়াৰ ষ্ট্ৰাইক কৰি পাকিস্তানৰ দৰ্প চূৰ্ণ কৰে। ভাৰত চৰকাৰে পাকিস্তানক মূৰ্খ সজালে। পাকিস্তানৰ মদতপুষ্ট সন্ত্ৰাসবাদীয়ে ভাৰতত কৰা নৰসংহাৰৰ পিছতে ভাৰতে পাকিস্তানক আক্ৰমণ কৰাৰ আশংকাৰ সময়তে গৃহ মন্ত্ৰালয়ে কিন্তু পূৰ্বে ঘোষণা কৰা অনুসৰি আজি দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো মকড্ৰিল কৰা হয়। আজি বিয়লি ৪ বজাৰ লগে লগে অসমৰ ২০ স্থানত মকড্ৰিল কৰা হয়। গুৱাহাটী, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, তেজপুৰ, ডিগবৈ, দুলীয়াজান, ৰঙিয়া, নামৰূপ, নাজিৰা, উত্তৰ লখিমপুৰ, দৰং, নুমলীগড়, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰত মকড্ৰিল কৰা হয়। অসমজুৰি বাজি উঠে ছাইৰেন। ৪ বজাত ছাইৰেন বজাৰ পৰা যুদ্ধৰ সময়ত কেনেদৰে নিজক সুৰক্ষিত কৰিব তাৰ আভাস দিয়া হয়। মকড্ৰিলত ভাৰতীয় সেনা, অসম আৰক্ষী, বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, এনচিচি, অসামৰিক বিভাগ, স্বাস্থ্য বিভাগ, এছডিআৰএফে মকড্ৰিলত অংশগ্ৰহণ কৰে। কেইবাগৰাকী ৰাজনেতাই মকড্ৰিলত অংশ লয়। ৰঙিয়া ৰে'ল ষ্টেচনত দিলীপ শইকীয়া আৰু বিধায়ক ভবেশ কলিতাই অংশ লয়। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজ জালুকবাৰী সমষ্টিত ভোটদান কৰিবলৈ গৈ মকড্ৰিল আৰু এয়াৰ ষ্ট্ৰাইক সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰে। অপাৰেচন সেন্দুৰৰ জৰিয়তে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰিছে আমাৰ দেশে। ইয়াক সমৰ্থন কৰি এই মুহূৰ্তত আমি সকলোৱে ভাৰত চৰকাৰ আৰু আমাৰ সেনাবাহিনীৰ কাষত একতা বজাই ৰাখি দৃঢ়ভাৱে থিয় হোৱাটো আমাৰ নৈতিক দায়িত্ব বুলি কয়। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে আগজাননী পালে মাজে মাজে মকড্ৰিল কৰি থাকিব লাগে। বহু দিন দেশত মকড্ৰিল হোৱা নাছিল, আমাৰ ৰাজ্যতো হোৱা নাছিলে। ১৮ খন জিলাত আজি মকড্ৰিল হোৱাৰ সম্ভাৱনা আছে বুলি কয় ড০ শৰ্মাই। উল্লেখ্য যে ভাৰতে পেহেলগামৰ নৰসংহাৰৰ বিৰুদ্ধে পোতক তুলিবলৈ সাজু হৈ আছে। পাকিস্তানে প্ৰত্যুত্তৰ দিলে প্ৰতিহত কৰাই নহয় পাকিস্তানৰ বিৰুদ্ধে ঘোষণা হ'ব পাৰে যুদ্ধৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সামৰণি পৰিল পঞ্চায়তৰ ভোটযুদ্ধৰ

ই-সংবাদ বিশেষ, ৭ মে': বুধবাৰে অনুষ্ঠিত হৈ গ'ল পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। বিভিন্ন বিক্ষিপ্ত ঘটনাৰ মাজতো অসমৰ মুঠ ১৩ খন জিলাত পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি ৪.৩০ বজাত সফলভাবেই সামৰণি পৰে। ধুবুৰী, দক্ষিণ শালমাৰা, মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ (মেট্ৰ'), হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং এই ১৩ খন জিলাৰ মুঠ ১২,১৩০ টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে যোৱা ২ মে'ত ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হোৱাৰ পিছত ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হয়। এইবাৰ পঞ্চায়ত নিৰ্বাচনত সৰ্বমুঠ ভোটাৰ ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী। দ্বিতীয় পৰ্যায়ত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৯১,৩১,১২৭ গৰাকী। আনহাতে, দ্বিতীয় পৰ্যায়ত ১৩ খন জিলাত মুঠ ২৯,৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। উল্লেখ্য যে ইয়াৰে ২১ গৰাকী জিলা পৰিষদৰ সদস্য, ১৫১ গৰাকী আঞ্চলিক পৰিষদৰ সদস্য আৰু ১,১১৭ গৰাকী গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যই ইতিমধ্যেই বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয় লাভ কৰিছে। জানিব পৰা মতে, দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণৰ সময়ত কেইবাখনো জিলাত বিসংগতিৰ সৃষ্টি হয়। কামৰূপ জিলাৰ দাদাৰা পঞ্চায়তৰ ৭ নং ৱাৰ্ডত সৃষ্টি হয় এক অপ্ৰীতিকৰ পৰিস্থিতিৰ। বেলট কাগজত প্ৰাৰ্থীৰ নামৰ পৰিৱৰ্তে চিহ্নৰ বিসংগতি থকাৰ বাবে পৰিস্থিতি উত্তপ্ত হৈ পৰে। যাৰ বাবে কিছু সময় ভোট কেন্দ্ৰটোত ভোটগ্ৰহণ বন্ধ হৈ পৰে। জানিব পৰা মতে, এজন নিৰ্দলীয় প্ৰাৰ্থীৰ বেলট পেপাৰত থকা নিৰ্বাচনী চিহ্নটো ভুল বুলি ধৰা পৰাত এই সমস্যাৰ সৃষ্টি হয়। নিৰ্দলীয় প্ৰাৰ্থী দীপাঞ্জলি দাসৰ নিৰ্ধাৰিত ঘড়ীৰ চিহ্নৰ পৰিৱৰ্তে বেলট পেপাৰত গাড়ীৰ চিহ্ন দেখা যায়। ফলত নিৰ্বাচনী বিষয়াসকলে এই সমস্যা সমাধান নকৰালৈকে ভোটদান স্থগিত ৰাখিব লগা হয়। ইফালে, গোৱালপাৰা জিলাৰ কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোট কেন্দ্ৰত ভোটগ্ৰহণৰ সময়ত মাৰপিটৰ ঘটনা সংঘটিত হয়। খবৰ অনুসৰি, ভোট কেন্দ্ৰটোত ভোটদানৰ বাবে শাৰী পাতি থকা মহিলাৰ শাৰীত থিয় হৈ আছিল চাহিন আহমেদ নামৰ এজন ব্যক্তি। চাহিন আহমেদে মহিলাৰ শাৰীত থিয় হোৱাৰ বাবে তেওঁক পুৰুষৰ শাৰীত থিয় হ'বলৈ কয় মজিবৰ ৰহমান নামৰ এজন ৬০ উৰ্দ্ধৰ ব্যক্তিয়ে। এই কথাক লৈয়ে চাহিন আহমেদে মজিবৰ ৰহমানক মাৰপিট কৰে। অৱশ্যে আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰি ৰহমানক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱাৰ লগতে এটা গোচৰ ৰুজু কৰে। আনহাতে, চামগুৰিত পুনৰ নিৰ্বাচনক কেন্দ্ৰ কৰি আক্ৰমণৰ সন্মুখীন হয় কংগ্ৰেছ কৰ্মী। চামগুৰিৰ কাঠপাৰা গাঁও পঞ্চায়তৰ কংগ্ৰেছৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী আৰশ্বাদ আলীক ভোটদানৰ সময়তে প্ৰহাৰ কৰে এগৰাকী বিজেপি কৰ্মীয়ে।

কাঠপাৰা ২ নং পিয়লি ফুকন ভোট কেন্দ্ৰত সংঘটিত হয় এই ঘটনা। এই ঘটনাৰ পিছতে আহত আৰশ্বাদ আলীক কাৰৈমাৰী এফ আৰ ইউ হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে চিকিৎসকে নগাঁৱলৈ প্ৰেৰণ কৰে। ঘটনাস্থলীত স্থানীয় দণ্ডাধীশৰ লগতে আৰক্ষীৰ উচ্চপদস্থ বিষয়া উপস্থিত হৈ ঘটনাৰ তদন্ত কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য, ১১ মে'ত ঘোষণা কৰা হ'ব পঞ্চায়ত নিৰ্বাচনৰ দুয়োটা পৰ্যায়ৰ ভোটগ্ৰহণৰ ফলাফল। ইয়াৰ উপৰি ৭ মে'ত বিসংগতিৰ সৃষ্টি হোৱা ভোট কেন্দ্ৰসমূহত ৯ মে'ত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুত্ৰ-ভাৰ্য্যাসহ মৃত্যু মাছুদ পৰিয়ালৰ ১০

সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ প্ৰতিষ্ঠাপক মাছুদ আজহাৰৰ পৰিয়ালৰ ১০ জন সদস্য। উল্লেখ্য যে ভাৰতে ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰোঁতে পাকিস্তানৰ বাহাৱালপুৰত অৱস্থিত জইছ-ই-মহম্মদৰ ঘাটি আৰু লস্কৰ-ই-তৈবাৰ ঘাটিকে ধৰি বহু সন্ত্ৰাসবাদীৰ ঘাটি লক্ষ্য কৰি লয়। বাহাৱালপুৰৰ চুভান-উল-আল্লাহ জামা মছজিদত সংঘটিত আক্ৰমণত নিহত হয় মাছুদ আজহাৰৰ পৰিয়ালৰ ১০ জন সদস্য। লগতে নিহত হয় আজহাৰৰ আন চাৰিজন সহযোগী। ভাৰতৰ আক্ৰমণত পৰিয়ালৰ সদস্য নিহত হোৱাৰ খবৰ নিশ্চিত কৰে খোদ মাছুদ আজহাৰে। নিহতসকলৰ ভিতৰত আছে মাছুদ আজহাৰৰ জ্যেষ্ঠ ভগ্নী আৰু তেওঁৰ স্বামী, মাছুদ আজহাৰৰ ভতিজাৰ লগতে আজহাৰৰ পত্নী, আন এগৰাকী ভতিজী আৰু পৰিয়ালটোৰ পাঁচটা সন্তান। উল্লেখ্য যে এই আক্ৰমণত গুৰুতৰভাৱে আহত আজহাৰৰ ভাতৃ ৰৌফ আজহাৰো আছিল দুৰ্দ্ধৰ্ষ সন্ত্ৰাসবাদী। এই আক্ৰমণত নিজৰ পৰিয়াল হেৰুৱাই মাছুদ আজহাৰে দুখেৰে কয়, 'ময়ো মৰিলেই ভাল আছিল।" উল্লেখ্য যে বহু ভয়ানক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ নেতৃত্ব দিছিল মাছুদ আজহাৰে। সূত্ৰ অনুসৰি, ২০০১ ৰ সংসদ ভৱন আক্ৰমণৰ লগত জড়িত আছিল মাছুদ আজহাৰ। ২০০৮ চনৰ মুম্বাই আক্ৰমণৰো মাষ্টাৰমাইণ্ড আছিল মাছুদ আজহাৰ। ২০১৬ ৰ পাঠানকোট আক্ৰমণৰৰ বাবেও মাছুদ জগৰীয়া। ২০১৯ ৰ পুলৱামা আক্ৰমণো মাছুদ আজহাৰৰ নেতৃত্বতে হৈছিল।২০০০ চনত আজহাৰে জন্ম দিছিল সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুশ কিঃমিঃ দূৰত্বৰ পৰা সামৰিক অভিযান

ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰে ভাৰতীয় সেনাই। এক আক্ৰমণত এজনো ভাৰতীয় সেনাৰ হানি নোহোৱাৰ বিপৰীতে সন্ত্ৰাসবাদী নেতাকে ধৰি ৯০ টাৰো অধিক উগ্ৰপন্থী নিহত হয় আৰু বহু সন্ত্ৰাসবাদীয়ে এতিয়া চিকিৎসালয়ত জীৱন-মৃত্যুৰে যুঁজি আছে। এই আক্ৰমণৰ পিছত বুধবাৰে দিনৰ ভাগত ভাৰতীয় সেনা আৰু চৰকাৰে সংবাদমেল অনুষ্ঠিত কৰি আক্ৰমণৰ বিষয়ে সদৰী কৰে। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক সূত্ৰই দাবী কৰিছে যে পাকিস্তানৰ মাটিত থকা সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰিবলৈ ভাৰতীয় বায়ুসেনাৰ বিমান পাৰ হোৱা নাছিল ভাৰত-পাক সীমান্ত। সূত্ৰ অনুসৰি পাকিস্তান সীমান্তৰ পৰা ২০০ কিলোমিটাৰৰ ভিতৰত সন্ত্ৰাসবাদীৰ ৯ টা ঘাটি আছিল। ভাৰতৰ আকাশৰ পৰাই অত্যাধুনিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰি উক্ত ঘাটিসমূহ ধ্বংস কৰা হৈছিল। এক কথাত ক'বলৈ গ'লে ৰাফেল যুঁজাৰু বিমানৰ সহায়ত এই আক্ৰমণ সংঘটিত কৰাত সফল হ'ল ভাৰত। এই আক্ৰমণত ধ্বংস হয় জইছ-ই-মহম্মদ আৰু লস্কৰ-ই-তৈবাৰ মুখ্য কাৰ্যালয়। উল্লেখ্য যে ভাৰতীয় সেনাৰ হাতত আছে বিভিআৰ (বিয়ণ্ড ভিজুৱেল ৰেঞ্জ) প্ৰযুক্তিৰ ক্ষেপণাস্ত্ৰ। ৰাফেল যুদ্ধ বিমানত এই প্ৰযুক্তি ব্যৱহাৰেৰে মিছাইল নিক্ষেপ কৰাত পাকিস্তানী সন্ত্ৰাসবাদীৰ মুখ্য কাৰ্যালয় সহজেই ধ্বংস হৈছিল। উল্লেখ্য যে এই ক্ষেপণাস্ত্ৰৰ সহায়ত ইয়াৰ পৰিসৰৰ ভিতৰত থকা যিকোনো লক্ষ্যক নিখুঁতভাৱে আক্ৰমণ কৰা সম্ভৱ। সেইবাবেই ভাৰতৰ আকাশমাৰ্গ পাৰ নোহোৱাকৈ ২০০ কিলোমিটাৰ দূৰৈৰ পাকিস্তানী সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰা সম্ভৱ হৈছিল। আনহাতে, ভাৰতৰ হাতত আছে গাণ্ডীৱ মিছাইল। সেই ক্ষেপণাস্ত্ৰৰ ৰেঞ্জ ৩৪০ কিলোমিটাৰ। বৰ্তমান গাণ্ডীৱ হৈছে বিশ্বৰ আটাইতকৈ দীৰ্ঘ দূৰত্বৰ বিভিআৰ ক্ষেপণাস্ত্ৰ। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক সূত্ৰই প্ৰকাশ কৰিছে যে গাণ্ডীৱ ইমানেই উন্নত ক্ষেপণাস্ত্ৰ যে ই যুদ্ধ ক্ষেত্ৰৰ ৰেহৰূপ সলনি কৰি দিব পাৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## দদৰা গাঁও পঞ্চায়তত প্ৰাৰ্থীৰ চিহ্নৰ সলনি আহিল অন্য চিহ্ন

# দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত বেলট পেপাৰত ঘটিল অথন্তৰ!

**ই-সংবাদ, শুৱালকুছি, ৭ মে':** ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত আজি ১৩ খন জিলাত ভোটদান অনুষ্ঠিত হয়। পুৱা ৭.৩০ বজাৰ পৰা আবেলি ৪.৩০ বজালৈ অনুষ্ঠিত হৈছে ভোটদান প্ৰক্ৰিয়া। ইয়াৰ মাজতে হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ ১৬ নং শুৱালকুছি জিলা পৰিষদৰ অন্তৰ্গত দদৰা গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত বেলট পেপাৰত লাগে অথন্তৰ। দদৰা গাঁও পঞ্চায়তৰ ৭ শেষাংশ ৮ পৃষ্ঠাত



গোৱালপাৰাত নাগৰিকৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে অনুষ্ঠিত ম'কড্ৰিলৰ দৃশ্য, ফটোঃ ই-সংবাদ, গোৱালপাৰা

## আলফাৰ লগত সম্পৰ্ক ৰাখিলে কঠোৰ শাস্তিৰ ভাবুকি তপনক

**ই-সংবাদ, গোলকগঞ্জ, ৭ মে':** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী প্ৰথম খণ্ড গাঁৱত ৩ মে'ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা কেএলঅ'ৰ স্বয়ম্ভু কৰ্পোৰেল তপন ৰায়ক আজি কেএলঅ'ৰ পৰা বহিষ্কাৰ কৰে। আলফাৰ লগত গোপনে শেষাংশ ৯ পৃষ্ঠাত

## জন্মগাঁৱত ভোটদান বিজেপিৰ ৰাজ্যিক সভাপতিৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৭ মে':** গ্ৰামাঞ্চলৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত মই মোৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিলোঁ। আজি দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই নিজ জন্ম গাঁৱত ভোটদান কৰি সাংবাদিকে শেষাংশ ৯ পৃষ্ঠাত

## দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত নগাঁৱৰ গ্ৰামাঞ্চলত নিমাওমাও পৰিৱেশ

**ই-সংবাদ, বেবেজীয়া, ৭ মে':** পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বিয়লি আনুষ্ঠানিকভাৱে সামৰণি পৰাৰ পিছতে ৰাজ্যৰ বিভিন্ন ঠাইৰ দৰে নগাঁও জিলাৰ গ্ৰামাঞ্চলবোৰতো একপ্ৰকাৰ নিমাওমাও পৰিৱেশৰ সৃষ্টি হৈছে। শেষাংশ ৮ পৃষ্ঠাত

## পলাশবাৰীৰ নাকঠা প্ৰাথমিক বিদ্যালয় ভোট গ্ৰহণ কেন্দ্ৰত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, মিৰ্জা, ৭ মে':** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ বিভিন্ন প্ৰান্তত ভোটদান প্ৰক্ৰিয়া চলি থকাৰ সময়তে অঘটন সংঘটিত হয়। ছয়ানি ৰাণী জিলা পৰিষদৰ ৪৮ নং হাৰোপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত নাকঠা প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত এক চাঞ্চল্যকৰ ঘটনাৰ সৃষ্টি হয়। শেষাংশ ৮ পৃষ্ঠাত

## ভোটকেন্দ্ৰত মাৰপিট

## চামগুৰি-বড়মপুত হিংসাত্মক পৰিস্থিতি

**ই-সংবাদ, পুৰণিগুদাম, ৭ মে':** নগাঁও জিলাৰ চামগুৰি সমষ্টি আৰু বড়মপুৰ সমষ্টিত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ আজি ভোটগ্ৰহণৰ দিনটো প্ৰথম অৱস্থাত শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয় যদিও বিয়লি সময়ত চামগুৰিৰ শেষাংশ ১১ পৃষ্ঠাত

## মৰিগাঁৱত দুৰ্বৃত্তৰ আক্ৰমণত আহত সাংবাদিকৰ দল

**ই-সংবাদ, মৰিগাঁও, ৭ মে':** মৰিগাঁও জিলাত আজি অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাতৰি সংগ্ৰহ কৰি থকা অৱস্থাত জিলাখনৰ তৰাজানত দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হয় মৰিগাঁৱৰ ৮ পৃষ্ঠাত চাওক



নলবাৰীত বুধবাৰে ভোটদান, ফটোঃ ই-সংবাদ, বাঁহজানী

## হিংসাত্মক ঘটনাৰে দলগাঁৱত অন্ত পৰিল ভোট গ্ৰহণ

**ই-সংবাদ, খাৰুপেটীয়া, ৭ মে':** আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দৰং জিলাতো অনুষ্ঠিত হয় দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণ। দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত বিভিন্ন শেষাংশ ৯ পৃষ্ঠাত

## বৰুণডাঙাত ভোট দিবলৈ গৈ উদাস হৈ উভতিল ভোটাৰ

**ই-সংবাদ, গোলকগঞ্জ, ৭ মে':** ধুবুৰী জিলাৰ সিন্দুৰাই জিলা পৰিষদৰ ১৭৮৬ নং বৰুণডাঙা এল পি স্কুল (বাঁওফাল) ত আজি এগৰাকী মহিলা ভোট দিবলৈ আহি উদাস মনে ঘৰলৈ উভতি যোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে বৰুণডাঙা গাঁও পঞ্চায়তৰ বৰুণডাঙা তিনি নম্বৰ ৱাৰ্ডৰ ফিৰদৌচ বেপাৰীৰ পত্নী দুলবা খাতুনে নিৰ্দিষ্ট ভোট কেন্দ্ৰটোত ভোট দিবৰ বাবে উপস্থিত হৈছিল। ভোটদান কৰিবলৈ প্ৰায় এঘণ্টা শাৰী পাতি ভোট দিবলৈ যেতিয়াই তেওঁ ভোটকেন্দ্ৰৰ ভিতৰত প্ৰৱেশ কৰে, তেতিয়াই তেওঁ সন্মুখীন হয় এক অপ্ৰত্যাশিত ঘটনাৰ। কোনোবাই ইতিমধ্যে মহিলাগৰাকীৰ নামত ভোট দি গৈছে। এই সন্দৰ্ভত নিৰ্বাচনী বিষয়া, বিএলঅ'ক অৱগত কৰে যদিও কোনেও গুৰুত্ব দিয়া পৰিলক্ষিত নহ'ল। নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব নোৱাৰি অৱশেষত বিফল মনোৰথে ঘৰলৈ ঘূৰি যায়। স্বচ্ছ নিকা নিৰ্বাচনৰ নামত ৰাজ্য চৰকাৰে ইমান তৎপৰতা দেখুওৱাৰ সময়তো নিজৰ ভোট নিজে দিব নোৱাৰা ঘটনা যথেষ্ট তাৎপৰ্য বহন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অপাৰেশ্যন সেন্দূৰলৈ সমৰ্থন

সেন্দূৰ'ৰ বিধ্বংসী তাণ্ডৱে ত্ৰস্তমান কৰিছে ইছলামাবাদক। ভাৰতীয় সেনাই আক্ৰমণ কৰি পাকিস্তানৰ ৯ টাকৈ সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰাৰ পিছত সেনাৰ এই অভিযানলৈ সমৰ্থন আগবঢ়াই বুধবাৰে এখন জৰুৰী বৈঠকৰ আহ্বান কৰে কংগ্ৰেছে। ২৪ আকবৰ ৰোডত অনুষ্ঠিত হোৱা এই বৈঠকত কংগ্ৰেছে স্পষ্ট বাৰ্তা দি কয় যে এই সময় ৰাজনীতিৰ সময় নহয়, এয়া হৈছে ঐক্যৰ সময়। কংগ্ৰেছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত চৰকাৰৰ সৈতে কান্ধ মিলাই থিয় দিয়াৰ প্ৰতিশ্ৰুতি দি সেনাৰ অভিযানৰ প্ৰতি সমৰ্থন পুনৰ এবাৰ ব্যক্ত কৰে। বৈঠকৰ অন্তত কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই সংবাদ মাধ্যমৰ সন্মুখত কয়, "আজি আমি দেশৰ সাম্প্ৰতিক পৰিস্থিতি আৰু চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে আলোচনা কৰিবলৈ ৱৰ্কিং কমিটীৰ এখন বৈঠক আহ্বান কৰিছো। পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাটিত আমাৰ সশস্ত্ৰ বাহিনীয়ে চলোৱা অভিযান দেশবাসীৰ বাবে গৌৰৱৰ বিষয়। আমি সেনাবাহিনীৰ সাহস, দৃঢ়তা আৰু দেশপ্ৰেমৰ সন্মুখত মূৰ নত কৰিছো।" তেওঁ আৰু কয়, "এতিয়া জাতীয় ঐক্যৰ সময়। কংগ্ৰেছ দলৰ হৈ মই কৈছো যে আমি সেনাৰ সৈতে থিয় দিছো। আমাৰ কোনো বিভাজন নাই। ৰাষ্ট্ৰৰ স্বাৰ্থ সৰ্বোচ্চ। ইণ্ডিয়া মিত্ৰজোঁটেও দেশৰ স্বাৰ্থত একেলগে থিয় দিছে।" বিৰোধী নেতা ৰাহুল গান্ধীয়েও এটা স্পষ্ট বাৰ্তা দি কয়, "আমি সম্পূৰ্ণৰূপে সেনাবাহিনীৰ সৈতে আছো। তেওঁলোকৰ প্ৰতি আমাৰ অপৰিসীম মৰম আৰু সন্মান আছে। চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠকতো কংগ্ৰেছে অংশগ্ৰহণ কৰিব। আমি ঐক্যৰ বাৰ্তা গ্ৰহণ কৰিম।" বৈঠকত উপস্থিত থকা এক সূত্ৰই জনোৱা মতে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই বৰ্তমানৰ পৰিস্থিতিত দলৰ সকলো ৰাজনৈতিক কাৰ্যসূচী স্থগিত ৰখাৰ আহ্বান জনায়। এই প্ৰস্তাৱৰ পিছতে কংগ্ৰেছে ১২ মে'লৈ দেশৰ সকলো কাৰ্যসূচী স্থগিত ৰখাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে বুধবাৰে পুৱতি নিশা ভাৰতীয় সেনাই অপাৰেচন সেন্দূৰ অভিযানৰ জৰিয়তে পাকিস্তান আৰু পিঅ'কেৰ একেলগে ৯ টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰে। ২২ এপ্ৰিলত পেহেলগামত সংঘটিত হোৱা নৃশংস আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে দুসপ্তাৰ পিছত এই অভিযান চলায় ভাৰতীয় সেনাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সীমান্তৰ মুখ্যমন্ত্ৰীৰে বৈঠক অমিত শ্বাহৰ

ভাৰতীয় সেনাই পাকিস্তানৰ ওপৰত চলোৱা 'অপাৰেচন সেন্দূৰ' সামৰিক অভিযানৰ সফলতাৰ পিছতে ৰাষ্ট্ৰীয় নিৰাপত্তা সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে। বুধবাৰে দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা বৈঠকত উপস্থিত থাকে সীমান্তৱৰ্তী ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশসমূহৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপাল। এই বৈঠকত উপস্থিত থাকে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, লাডাখৰ উপ-ৰাজ্যপাল আৰ কে মাথুৰ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী, পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভৈৰণ সিং শেখাৱত, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী। লগতে ছিকিম চৰকাৰৰ হৈ বৈঠকত অংশগ্ৰহণ কৰে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ভি বি পাঠকে। বৈঠকত অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বক প্ৰশংসা কৰি কয় যে ২২ এপ্ৰিলত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত অপাৰেচন সেন্দূৰ অনুমোদন দিয়াৰ সিদ্ধান্ত দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত এক ঐতিহাসিক পদক্ষেপ। এই অভিযানে ভাৰতৰ শূন্য সহনশীলতা নীতিক শক্তিশালীভাৱে প্ৰতিফলিত কৰিছে আৰু দেশৰ সীমান্তত ভাবুকি কঢ়িয়াই অনা শক্তিসমূহলৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ৬ আৰু ৭ মে'ত চলোৱা অপাৰেচন সেন্দূৰৰ সময়ত পাকিস্তান অধিকৃত কাশ্মীৰ আৰু পাকিস্তানৰ মাটিত মুঠ ৯টা সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰা হৈছে। লস্কৰ-ই-তৈবা, জৈছ-ই-মহম্মদ, হিজবুল মুজাহিদীনকে ধৰি কেইবাটাও সংগঠনৰ অস্ত্ৰ-শস্ত্ৰ ডিপো, প্ৰশিক্ষণ শিবিৰ, আৰু আত্মগোপন স্থান চিনাক্ত কৰা হৈছে। তেওঁ আৰু কয় যে এই আক্ৰমণসমূহ অতি সঠিক চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত কৰা হৈছিল, যিয়ে ভাৰতৰ সাৰ্বভৌমত্ব ৰক্ষা আৰু সন্ত্ৰাসবাদী নেটৱৰ্ক ভংগ কৰাৰ বাবে ভাৰতৰ দৃঢ় সংকল্প প্ৰদৰ্শন কৰিছিল। বৈঠকত অমিত শ্বাহে সীমান্ত ৰাজ্যসমূহক কঠোৰ নিৰ্দেশ দিয়ে যে চিকিৎসালয়, অগ্নিনিৰ্বাপক বাহিনী, পানী, বিদ্যুৎ যোগানকে ধৰি জৰুৰীকালীন সেৱাসমূহ যাতে কোনো ধৰণে ব্যাহত নহয়। ইয়াৰ লগতে ৰাজ্য প্ৰশাসনসমূহক দেশজোৰা মকড্ৰিলৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দিয়া হৈছিল যাতে যিকোনো সময়তে জৰুৰীকালীন ব্যৱস্থা ৰূপায়ণ কৰিব পৰা যায়। অমিত শ্বাহে ছ'চিয়েল মিডিয়া আৰু ডিজিটেল প্লেটফৰ্মত প্ৰচাৰিত হোৱা যিকোনো ৰাষ্ট্ৰ বিৰোধী অপপ্ৰচাৰ আৰু উৰাবাতৰি কঠোৰভাৱে দমন কৰিবলৈ ৰাজ্যসমূহক সকীয়াই দিয়ে। তেওঁ কয় যে অসামৰিক প্ৰতিৰক্ষা ইউনিট, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্যান্য জৰুৰীকালীন সেৱাসমূহ সম্পূৰ্ণ সতৰ্ক হৈ থাকিব লাগিব আৰু প্ৰয়োজন হ'লে তৎক্ষণাত নিয়োগ কৰিবলৈ সাজু থাকিব লাগিব। এই গুৰুত্বপূৰ্ণ বৈঠকত কেন্দ্ৰীয় গৃহ সচিব অজয় ভল্লা, চোৰাংচোৱা ব্যুৰো (আইবি)ৰ মুৰব্বী তপন ডেকা, সীমান্ত সুৰক্ষা বাহিনীৰ ডিজি নীতিন আগৰৱালৰ আৰু চিআইএছএফৰ ডিজি নীনা সিঙৰ লগতে গৃহ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলো উপস্থিত থাকে। বৈঠকৰ শেষত অমিত শ্বাহে স্পষ্টকৈ উল্লেখ কৰে যে সশস্ত্ৰ বাহিনী, অৰ্ধসামৰিক বাহিনী আৰু ৰাজ্য প্ৰশাসনৰ মাজত যিকোনো ধৰণৰ সমন্বয়ৰ অভাৱ একেবাৰেই সহ্য কৰা নহ'ব। দেশৰ সুৰক্ষা আৰু জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ প্ৰতিটো স্তৰতে সৰ্বাধিক সমন্বয় বজাই ৰখাটো অতি প্ৰয়োজনীয় বুলিও তেওঁ মন্তব্য কৰে।

# গোৱালপাৰাত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ম'কড্ৰিল

**ই-সংবাদ, গোৱালপৰা, ৭ মে':** গোৱালপাৰা জিলা সদৰ থানাৰ অন্তৰ্গত ভালুকডুবিৰ নতুন আৱৰ্ত ভৱনত আজিৰ দিনটোত এক গুৰুত্বপূৰ্ণ আৰু বাস্তৱধৰ্মী যুদ্ধকালীন অনুশীলন ম'ক ড্ৰীল অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি এই অনুশীলনটো দেশজুৰি চলি থকা সুৰক্ষা সজাগতাৰ অংশ হিচাপে আয়োজন কৰা হয়। বিশেষকৈ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত পাকিস্তানৰ সৈতে উদ্ভৱ হোৱা যুদ্ধসদৃশ পৰিস্থিতিৰ প্ৰেক্ষাপটত এনে অনুশীলনবোৰৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। ভালুকডুবিৰ নতুন আৱৰ্ত ভৱনৰ ফিল্ডত অনুষ্ঠিত এই ড্ৰীলত বিভিন্ন সুৰক্ষামূলক কাৰ্যপদ্ধতি প্ৰদৰ্শন কৰা হয়। বিমান আক্ৰমণৰ সময়ত কিদৰে নাগৰিকৰ প্ৰতি সতৰ্কবাণী জাৰি কৰিব, ছাইৰেন ব্যৱস্থা সক্ৰিয় কৰিব, আৰু নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰিব সেইবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজ আৰু আৰক্ষী তথা চিভিল ডিফেন্সৰ কৰ্মচাৰীসকলৰ অংশগ্ৰহণত এই অনুশীলন সফলতাৰে সম্পন্ন হয়। অনুশীলনটোত হঠাৎ ব্লেক আউট হ'লে কিদৰে প্ৰতিক্ৰিয়া জনাব, জৰুৰীকালীন উদ্ধাৰ অভিযান কেনেকৈ তৎপৰতাৰে চলাব আৰু সাধাৰণ জনতাক কিদৰে সঠিকভাৱে সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰিব সেইবোৰৰ বাস্তৱ অনুশীলন দেখুওৱা হয়। ৰাজ্যৰ ভিতৰত নিৰ্বাচিত ২০ টা স্থানৰ ভিতৰত গোৱালপাৰাও অন্যতম স্থান হিচাপে এই অনুশীলনৰ বাবে বাছনি কৰা হৈছিল। উল্লেখ্য যে, এই ধৰণৰ ম'ক ড্ৰীলসমূহে সাধাৰণ জনতাৰ মাজত যুদ্ধকালীন সজাগতা আৰু সুৰক্ষা ব্যৱস্থাৰ প্ৰতি গভীৰ বুজাবুজি সৃষ্টি কৰাৰ লগতে ভৱিষ্যতে উদ্ভৱ হ'ব পৰা যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ বাবে প্ৰস্তুতি গ্ৰহণৰ দিশত সহায় কৰিব বুলি প্ৰশাসনৰ লগতে ৰাইজে আশা প্ৰকাশ কৰিছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত

নং ৱাৰ্ডৰ দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোঁ শাখাৰ ভোট কেন্দ্ৰটোত ৱাৰ্ড সদস্যৰ প্ৰাৰ্থী দীপাঞ্জলি দাসে ভোট দিবলৈ আহি বেলট পেপাৰত তেওঁৰ প্ৰতীক চিহ্ন ঘড়ীৰ সলনি গাড়ীৰ চিহ্ন দেখি হতবাক হৈ পৰে। লগে লগে প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনৰ দায়িত্বত থকা লোকসকলক অৱগত কৰে। ৭ নং ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী দীপাঞ্জলি দাসৰ লগতে ৰাইজে নতুন বেলট পেপাৰ নোহোৱালৈকে ভোটদান প্ৰক্ৰিয়া বন্ধ ৰাখিবলৈ আহ্বান জনায়। পিছত ভোট কেন্দ্ৰটোত নতুন বেলট পেপাৰ আনি পুনৰ প্ৰায় দুঘণ্টা পলমকৈ ভোটদান প্ৰক্ৰিয়া আৰম্ভ কৰে। আনহাতে ভোট কেন্দ্ৰটোত কামৰূপৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত হৈ বুজ লোৱাৰ লগতে কেন্দ্ৰটোত পুনৰ নতুনকৈ বেলট পেপাৰ আনি ভোট গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰা বুলি মন্তব্য কৰে। তেওঁ কামৰূপ জিলাত শান্তিপূৰ্ণভাৱে ভোটদান অনুষ্ঠিত হোৱা বুলি জানিবলৈ দিয়াৰ লগতে পঞ্চায়ত নিৰ্বাচন অন্ত হোৱাৰ পিছতে কামৰূপৰ তিনি ঠাইত ৰঙিয়া, আমিনগাঁও, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ষ্ট্ৰং ৰুম আৰু ভোট গণনা কেন্দ্ৰ লৈ প্ৰশাসন সম্পূৰ্ণভাৱে সাজু বুলি মন্তব্য কৰে আয়ুক্তগৰাকীয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পলাশবাৰীৰ নাকঠা প্ৰাথমিক বিদ্যালয়

নিৰ্বাচনী বিধি উলংঘা কৰি ষ্টাম্পৰ বিপৰীতে টিপচহীৰে ভোটদান প্ৰক্ৰিয়া সম্পন্ন কৰাৰ অভিযোগ উথাপন কৰে স্থানীয় ভোটাৰ ৰাইজে ভোট সংগ্ৰহ কৰা নিৰ্বাচনী প্ৰক্ৰিয়াৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলৰ ওপৰত। ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত থকা ভোট সংগ্ৰহ কৰা নিৰ্বাচনী বিষয়াৰ চৰম গাফিলতি আৰু দায়িত্বজ্ঞানহীনতাৰ ফলত এতিয়া চৰম শংকাত ভুগিছে উক্ত পঞ্চায়তৰ নিৰ্বাচনত মনোনীত প্ৰাৰ্থীসকলে। পৰিস্থিতিৰ বুজ ল'বলৈ ঘটনাস্থলীত উপস্থিত হয় অসম জাতীয় পৰিষদৰ যুটীয়া সম্পাদক পংকজলোচন গোস্বামী। উক্ত ভোটগ্ৰহণ কেন্দ্ৰত প্ৰায় ২ ৰ পৰা ৩ ঘণ্টা সময় ভোটদান প্ৰক্ৰিয়া স্থগিত ৰখা হয়। স্থানীয় ভোটাৰ ৰাইজে আবদ্ধ কৰি জবাবদিহি কৰে নিৰ্বাচন আয়োগৰ জিলা উপায়ুক্ত জনেল বিষয়া গৌতম বৰকাকতিক। উক্ত ভোটগ্ৰহণ কেন্দ্ৰত সংঘটিত চৰম গাফিলতিৰ ঘটনাক কেন্দ্ৰ কৰি ভোটাৰ ৰাইজে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীৰ ওপৰত সৰৱ হৈ প্ৰতিবাদ সাব্যস্ত কৰে। অৱশেষত জিলা নিৰ্বাচনী আয়ুক্ত বিষয়াই উক্ত ঘটনাৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াত পৰিস্থিতি শাম কাটে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত

বিগত প্ৰায় এপষেক ধৰি দিনে-নিশাই প্ৰাৰ্থী আৰু সমৰ্থকসকলৰ ব্যাপক নিৰ্বাচনী তৎপৰতাৰে একপ্ৰকাৰ উদুলি-মুদুলি হৈ থকা গ্ৰামাঞ্চলবোৰত এতিয়া একবাৰে নিস্তব্ধতা। যেন দীৰ্ঘদিনে ভোটৰ আশাত তথা ভোটাৰক আকৃষ্ট কৰাৰ কামত অহৰহ ব্যস্ত থকা সমৰ্থকসকল এতিয়া ৰণৰ ভাগৰুৱা সৈনিক। সকলোৰে দীৰ্ঘদিনীয়া ভাগৰুৱা দেহাটোক এতিয়া প্ৰয়োজন পৰ্যাপ্ত বিশ্ৰামৰ। ইয়াৰ বিপৰীতে প্ৰাৰ্থীসকলৰ ঘৰে ঘৰে ভোটগ্ৰহণৰ অন্তত প্ৰাৰ্থীৰ সৈতে দুই-তিনিজন লগ হৈ চলাইছে আগতীয়া নিৰ্বাচনী সমীক্ষা। কোনে কাৰ পকেট ভোট কিমান কাঢ়িলে, কোনটো চুবুৰি বা গাঁও তথা ৱাৰ্ডৰ পৰা কোনে কিমান ভোট পালে তাৰে চলিছে আনুমানিক হিচাপ-নিকাচ। তদুপৰি কোনটো ভোট কেন্দ্ৰত কোনজন প্ৰাৰ্থীয়ে কিমান ভোট লাভ কৰিলে তাৰো চলিছে আলোচনা। মুঠৰ ওপৰত ৱাৰ্ড মেম্বাৰৰ পৰা কাউঞ্চিলৰ আৰু জিলা পৰিষদৰ প্ৰতিজন প্ৰাৰ্থীয়েই হাতত কাগজ-কলম লৈ আগতীয়া ফলাফল উলিওৱাত ব্যস্ত। আনকি ৰাইজৰ মাজত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম নোহোৱা প্ৰাৰ্থীজনেও নিজা হিচাপ-নিকাচেৰে জয়ী হোৱাৰ আশাৰে নিজকে সন্তুষ্ট ৰাখিছে। এনেবোৰ আনুমানিক হিচাপ-নিকাচ তথা সমীক্ষাত কিন্তু সকলো প্ৰাৰ্থীয়েই নিজৰ মতে জয়ী হোৱাৰ সপোন দেখিছে। ইফালে সদায় প্ৰাৰ্থী আৰু সমৰ্থকৰ উপস্থিতিৰে উখল-মাখল হৈ থকা গাঁৱৰ তিনিআলি-চাৰিআলি, দোকান-পোহাৰকে ধৰি ৰাজহুৱা স্থানবোৰত সন্ধিয়াৰে পৰা ৰাইজৰ উপস্থিতি একেবাৰে সেৰেঙা হৈ পৰা দেখা যায়। যেন অঘোষিত সান্ধ্য আইনৰ কবলতহে পৰিছে সন্ধিয়াৰ পিছৰে পৰা নগাঁৱৰ গ্ৰামাঞ্চলবোৰ। আনকি নিতৌ গ্ৰামাঞ্চলৰ সৰু-বৰ সকলো পথতে দিনে-নিশাই ধূলি উৰুৱাই অহৰহ চলা-ফুৰা কৰা বিলাসী যান-বাহনবোৰ হঠাতে নোহোৱা হৈ অতি ব্যস্ততাপূৰ্ণ পথবোৰ পৰিণত কৰিছে নিজান পথলৈ। উল্লেখ্য, পূৰ্বৰ তুলনাত এইবাৰ পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি গ্ৰামাঞ্চলৰ সৰ্বত্ৰে উদ্ভৱ হয় বিধানসভা বা লোকসভা নিৰ্বাচনৰ দৰে পৰিৱেশ। ৱাৰ্ড মেম্বাৰৰ পৰা জিলা পৰিষদৰ সদস্যলৈকে সকলো প্ৰাৰ্থীয়ে পানীৰ দৰে ধন ব্যয় কৰে নিৰ্বাচনত জয়ী হোৱাৰ প্ৰবল আশাৰে। যেন কোনো ব্যৱসায়তহে বিনিয়োগ কৰিছে ধন। আনকি ৰাজনৈতিক দলৰ শীৰ্ষ পৰ্যায়ৰ নেতাও আহি গাঁৱৰ চুকে-কোণে সোমাই নিজৰ দলীয় প্ৰাৰ্থীৰ বাবে প্ৰচাৰ চলাই কৰিলে পৰিৱেশ উৎসৱমুখৰ। কিন্তু এতিয়া সকলোতে নিস্তব্ধতা । নাই সেই নিৰ্বাচনৰ গৰম বতাহ। নাই ভোট ভিক্ষাৰ চিঞৰ-বাখৰ। সি যি নহওক, এতিয়া মাথোঁ সকলোৰে লক্ষ্য কেৱল ১১ মে'। কিয়নো সেইদিনাই কাৰোবাৰ মুখত দেখা পোৱা যাব সাফল্যৰ হাঁহি, কাৰোবাৰ মুখত পৰাজয়ৰ গ্লানি।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱত দুৰ্বৃত্তৰ আক্ৰমণত আহত

এটা সাংবাদিকৰ দল। উল্লেখ্য যে পুৱাৰে পৰা পঞ্চায়ত নিৰ্বাচনৰ বা-বাতৰি সংগ্ৰহ কৰি ফুৰা বৈদ্যুতিন মাধ্যমৰ এটা সাংবাদিকৰ দল দুপৰীয়াৰ ভাগত জিলাখনৰ কলমৌবাৰী পঞ্চায়তৰ অন্তৰ্গত তৰাজানত উপস্থিত হয়। সেই স্থানতে এটা দুৰ্ঘটনাক কেন্দ্ৰ কৰি হোৱা মাৰপিট ঘটনা এটাৰ ফটো উঠাই থকা অৱস্থাতে সাংবাদিকৰ দলটোৰ ওপৰত অকস্মাৎ আক্ৰমণ চলায়। দুৰ্বৃত্তৰ দলটোৱে ডি ৰাই ৩৬৫ ছেটেলাইট চেনেলটোৰ কেমেৰা পাৰ্চন আবুদ্দিন আহমেদ, এন ই ভাৰত (NE Bharat) ৰ মধ্য অসম ব্যুৰো মনোৱাৰ হুছেইন আৰু কেমেৰা পাৰ্চন মকিবুদ্দিন আহমেদক আক্ৰমণ কৰে। সাংবাদিক কেইজনক মাৰধৰ কৰাৰ লগতে কেমেৰা, মবাইল আদি ভাঙি দিয়াৰ উপৰি বাতৰি সেৱাত ব্যৱহৃত এটা মবাইল ফোন আৰু ডিঙিৰ সোণৰ চেইন কাঢ়ি লৈ যায়। সংবাদ কৰ্মী কেইগৰাকীয়ে নিৰ্বাচন আয়োগৰ পৰিচয়-পত্ৰ দেখোৱাৰ পিছতো আক্ৰমণ কৰিবলৈ এৰি দিয়া নাছিল দুৰ্বৃত্তৰ দলটোৱে। এই ঘটনাটো প্ৰত্যক্ষ কৰি ডি ৰাই ৩৬৫ টিভি চেনেলটোৰ সাংবাদিক জোন ফৰিদুদ ইউনুছ আৰু এন কে প্লাছ টিভি চেনেলৰ সাংবাদিক বিকাশ ডেকা ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ যত্ন কৰে যদিও দুৰ্বৃত্তৰ দলটোৱে সাংবাদিক দুগৰাকীকো আক্ৰমণ কৰিবলৈ উদ্যত হয়। এই সমস্ত ঘটনাটোত তৰাজানৰ একাংশ লোক জড়িত হৈ থকাৰ কথা জানিব পৰা গৈছে। এই দুৰ্বৃত্তৰ দলটোৰ বিৰুদ্ধে সাংবাদিকৰ দলটোৱে জালুগুটি আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে। আনহাতে ঘটনাস্থলীত জালুগুটি আৰক্ষী পহৰা চকীৰ আৰক্ষী উপস্থিত হৈ ইতিমধ্যে ভিজুৱেল সংগ্ৰহ কৰিছে। বৰ্তমানলৈ চিনাক্ত হোৱা আক্ৰমণকাৰীৰ দলটোত আছে চামচুদ্দিন আলী (২৮), আক্ৰাম আলী (৬৪), চৰিফ আলী (৩২), ইজাজুল আলী (২৮) আৰু চাহেবা (২০)। আনহাতে এতিয়াও বহুকেইজন লোকৰ পৰিচয় পোহৰলৈ অহা নাই। ইপিনে মৰিগাঁৱৰ কলমৌবাৰীৰ তৰাজানত নিৰ্বাচন সম্পৰ্কীয় বাতৰি কৰিবলৈ যোৱা অৱস্থাত দুৰ্বৃত্তই তিনিগৰাকীকৈ সংবাদকৰ্মীক মাৰধৰ কৰি আক্ৰমণ কৰাৰ লগতে ম'বাইল ভঙা ঘটনাক মৰিগাঁও জিলা সাংবাদিক সংস্থাই তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা আৰু সম্পাদক গুলজাৰিলাল শৰ্মাই প্ৰকাশ কৰা এক বিবৃতিৰ লগতে এই জঘন্য ঘটনাটোত জড়িত দোষীক অনতিপলমে কৰায়ত্ত কৰি শাস্তি বিহিবলৈ দাবী জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আলফাৰ লগত সম্পৰ্ক ৰাখিলে কঠোৰ

যোগাযোগ ৰখাৰ অপৰাধত বহিষ্কাৰ কৰা বুলি আজি কেএলঅ'ৰ সাংগঠনিক সচিব ইউনিয়ন কোচে এক বিবৃতি যোগে অৱগত কৰে। উল্লেখ্য যে গাঁওখনৰ অনিল চন্দ্ৰ ৰায়ৰ পুত্ৰ তপনে ২০১৩ চনত কেএলঅ'ত যোগদান কৰিছিল। ম্যানমাৰত প্ৰশিক্ষণ গ্ৰহণ কৰি কৰ্পোৰেল পৰ্যায়ত তেওঁ দায়িত্ব পালন কৰি এসময়ত সেনা-আৰক্ষীৰ মূৰৰ কামোৰণি হৈ পৰে। ২০২১ চনত আত্মসমৰ্পণ কৰি মূল সুঁতিলৈ ঘূৰি আহে। গুৱাহাটী আৰক্ষীৰ অপৰাধ শাখাৰ নিৰ্দেশত আগমনি আৰক্ষীয়ে ৩ মে'ৰ সন্ধিয়া তপনক ঘৰৰ পৰাই মাতি আনে। মাজনিশা ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ১৪৭, ৩০৮ (২) আৰু চিএ(পি) ১০/১৩ আইনৰ অধীনত গুৱাহাটী আৰক্ষীৰ অপৰাধ শাখাৰ ২/২৫ নম্বৰ গোচৰৰ আধাৰত গ্ৰেপ্তাৰ কৰি নিশাতে কটকটীয়া নিৰাপত্তাৰ মাজত গুৱাহাটীলৈ প্ৰেৰণ কৰে। তেওঁ কেএলঅ'ৰ পৰা আত্মসমৰ্পণ কৰাৰ পিছত আলফাৰ অ'ভাৰগ্ৰাউণ্ড হিচাপে কাম কৰি আহিছিল। গুৱাহাটীৰ বেলতলাৰ পৰা বিশ্বজিৎ ৰায়, বাগসাৰ গোবৰ্ধনৰ পৰা সঞ্জয় বৰ্মন, মেঘালয় সীমান্তৰ পৰা এন এছ চি এনৰ লিংকমেন ৰাই নেমখা, য়ামন কন্যাক আৰু এছ হেংনাই অসম আৰক্ষীৰ অপৰাধ শাখাৰ জালত পৰাৰ পিছতে তপনৰ নামো সাঙোৰ খাই পৰে। নিজকে কেএলঅ'ৰ কৰ্পোৰেল পৰ্যায়ৰ নেতা বুলি দাবী কৰাৰ বিপৰীতে আজি কেএলঅ'ৰ সাংগঠনিক সচিবজনে এক বিবৃতিত এই কথা অস্বীকাৰ কৰি তেওঁ সাধাৰণ সদস্য বুলি স্পষ্ট কৰি দিয়ে। বিবৃতিত তেওঁ উল্লেখ কৰে যে ২১ এপ্ৰিলত কেএলঅ'ৰ মুখ্য সেনাধ্যক্ষ কোচ পাভেলে কোঁচ-ৰাজবংশী যুৱক-যুৱতীক আলফাৰ লগত সম্পৰ্ক নৰখাৰ বাবে সংবাদ মাধ্যম যোগে আহ্বান জনাইছিল। কিন্তু তপন কেএলঅ' সদস্য হোৱাৰ পিছতো আলফাৰ লগত যোগাযোগ কৰাৰ বাবে কেএলঅ'ৰ পৰা বহিষ্কাৰ কৰা হয়। লগতে পুনৰ কোঁচ-ৰাজবংশী যুৱক-যুৱতীক আলফাৰ লগত যোগাযোগ নাৰাখিবলৈ আহ্বান জনায়। অন্যথা কোঁচ-ৰাজবংশী প্ৰমাণ-পত্ৰৰ বঞ্চিত হ'ব বুলি স্পষ্ট কৰি দিয়ে। তদুপৰি কোনো কেএলঅ' সদস্যই আলফাৰ লগত সুসম্পৰ্ক ৰাখিলে কেএলঅ' আলোচনা ভংগ কৰি হ'লেও জাতিবিৰোধী কামৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি ভাবুকি দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জন্মগাঁৱত ভোটদান বিজেপিৰ ৰাজ্যিক

কৰা এটি প্ৰশ্নৰ উত্তৰত সাংসদ তথা বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে অসম তথা গ্ৰামাঞ্চলৰ উন্নয়নৰ স্বাৰ্থত সকলোৱে পঞ্চায়ত নিৰ্বাচনত ভোটদান কৰাটো অতি জৰুৰী। ইতিমধ্যে ৰাইজৰ উৎসাহ দেখি মোৰ ধাৰণা হৈছে যে প্ৰথম পৰ্যায়তকৈ আজি অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত যথেষ্টসংখ্যক ভোটদান হ'ব। নিশ্চিতভাৱে সৰহসংখ্যক পঞ্চায়ত বিজেপি মিত্ৰজোঁটৰ দখলত থাকিব বুলি সভাপতিগৰাকীয়ে দৃঢ়তাৰে কয়। উল্লেখ্য যে পূৰ্ণকামদেৰ প্ৰাথমিক বিদ্যালয় ভোট কেন্দ্ৰত সভাপতিগৰাকীয়ে পৰিয়ালসহ ভোটদান কৰে। ভোটদানৰ পিছতে তেওঁ সাংবাদিকে অপাৰেচন সেন্দূৰ সম্পৰ্কে কৰা এটা প্ৰশ্নৰ উত্তৰত কয় যে যোৱানিশা ভাৰতীয় সেনাবাহিনীয়ে পাকিস্তানী সন্ত্ৰাসবাদীৰ ঘাটিত কৰা অপাৰেচনৰ বাবে ভাৰতীয় সেনাবাহিনী সঁচাকৈয়ে ধন্যবাদৰ যোগ্য। উপযুক্ত সময়ত উপযুক্ত ব্যৱস্থা সেনাবাহিনীয়ে কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত ভাৰতীয় তিনি সেনা নৌসেনা, বায়ুসেনা আৰু স্থলসেনাৰ ভূমিকাই সঁচাকৈয়ে সকলো ভাৰতীয়ক গৌৰৱান্বিত কৰিছে। তেওঁ সকলো ভাৰতীয় নাগৰিককে সকলো দেৱ-দেৱী অথবা যি ধৰ্মৰ উপসক সকলোৱে মাথোঁ আই ভাৰতী এই যাত্ৰাত সফল হওক তাৰ বাবে প্ৰাৰ্থনা কৰিববলৈ ৰাইজক আহ্বান জনায়। তেওঁ কয় যে ময়ো আজি মোৰ জন্মগাঁৱৰ শিৱ মন্দিৰত সেৱা লৈ আই ভাৰতী আৰু সকলো ভাৰতীয় নাগৰিক আৰু সেনাবাহিনীৰ কুশল কামনা কৰিলোঁ। মন কৰিবলগীয়া যে সভাপতিগৰাকীয়ে ভোটদানৰ সময়ত ৯ নং বৰভাগ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী গীতুমণি বৈশ্য আৰু ৪৪ নং পূব উপৰ বৰভাগ দেহাৰকুছি গাঁও পঞ্চায়তৰ কাউন্সিলৰ পদৰ বিজেপি প্ৰাৰ্থী মুকুট শৰ্মাকে ধৰি অজস্ৰ দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# হিংসাত্মক ঘটনাৰে দলগাঁৱত অন্ত পৰিল

ভোট গ্ৰহণ কেন্দ্ৰত হিংসাত্মক আৰু বিক্ষিপ্ত ঘটনাৰে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ অন্ত পৰে। বহুতো ভোট গ্ৰহণ কেন্দ্ৰত নিশালৈকে চলিল ভোট গ্ৰহণ। কেইবাটাও ভোট গ্ৰহণ কেন্দ্ৰত সংঘটিত হয় মাৰপিট, আক্ৰমণ-প্ৰতিআক্ৰমণৰ ঘটনা। উল্লেখ্য যে দলগাঁও সমষ্টিৰ বিহুদিয়া জিলা পৰিষদ সমষ্টিৰ পশ্চিম কামাৰপাৰা ভোট গ্ৰহণ কেন্দ্ৰত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হোৱাৰ লগতে অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। কেন্দ্ৰটোত প্ৰচণ্ড গৰম সহিব নোৱাৰি ঢলি পৰে মহিলা। পুৱাৰে পৰা প্ৰখৰ ৰ'দত শাৰী পাতি নিশালৈকে ভোটদান কৰিবলগীয়া হয়। ভোট কেন্দ্ৰটোত ভোট গ্ৰহণ লেহেমীয়াকৈ চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। ৭০ উৰ্ধ্বৰ মহিলা-পুৰুষসকলেও লাইনত থিয় হৈ থকা পৰিলক্ষিত হয় বহুতো ভোট কেন্দ্ৰত। ইফালে সমষ্টিটোৰ গলন্দী পঞ্চায়তত এই আই ইউ ডি এফৰ আঞ্চলিক পঞ্চায়তৰ মনোনীত প্ৰাৰ্থী হজৰ আলীক কংগ্ৰেছৰ প্ৰাৰ্থী নূৰ হুছেইনৰ সমৰ্থকসকলে হজৰ বিৰুদ্ধে ধন বিলোৱাৰ অভিযোগ তুলি মাৰধৰ কৰি পিন্ধা কাপোৰ ফালি পেলায়। আনহাতে চোকাবাহী ভোটকেন্দ্ৰতো এআইইউডিএফ আৰু কংগ্ৰেছৰ সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। ঘটনাৰ খবৰ পাই ভোটকেন্দ্ৰত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে।

# তিনিচুকীয়া জিলাৰ দুটাকৈ স্থানত মকড্ৰিল সম্পন্ন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৭ মে':** কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশক্ৰমে আজি আবেলি ৪ বজাত তিনিচুকীয়া জিলাৰ দুটা স্থানত মকড্ৰিল অৰ্থাৎ দুৰ্যোগৰ আখৰা অনুষ্ঠিত হ'য়। ডিগবৈ শোধনাগাৰ চৌহদ আৰু তিনিচুকীয়া চহৰৰ থানা চাৰিআলিত শত্ৰুপক্ষৰ বিমান আক্ৰমণ সন্দৰ্ভত ল'বলগীয়া সাৱধানতা সম্পৰ্কত এই আখৰাৰ অনুশীলন কৰা হয়। আবেলি হঠাৎ বাজি উঠা বিপদ সংকেতৰ উত্তাল শব্দই তিনিচুকীয়া চহৰৰ মাজমজিয়াৰ থানা চাৰিআলিত আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। লগে লগে অগ্নিনিৰ্বাপক বাহিনীৰ দুখনকৈ গাড়ী আহি উপস্থিত হয়। ক্ষন্তেক পিছতে আহি পায় কেইবাখনো এম্বুলেন্স। তিনিচুকীয়া পৌৰসভাৰ কাৰ্যালয় ভৱনত অনুষ্ঠিত এই অগ্নিকাণ্ডৰ আখৰা অনুশীলনত জিলা আয়ুক্ত স্বপ্নীল পাল আৰু আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপো উপস্থিত থাকে। একে সময়তে ডিগবৈৰ প্ৰশাসনীয় আৰু সংস্থাপন ভৱন তথা তৈল ভাণ্ডাৰতো এনে অগ্নিনিৰ্বাপণ আৰু বোমা দুৰ্যোগৰ আখৰাৰ অনুশীলন কৰা হয়। ইয়াৰ পিছত সন্ধিয়া ৭ বজাত নিষ্প্ৰদীপ (ব্লেক আউট) অনুশীলনো কৰা হয়। কাৰণ যিকোনো বিমান আক্ৰমণৰ সম্ভেদ পোৱাৰ লগে সকলো বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰ্তন কৰা হ'ব যাতে শত্ৰুপক্ষৰ বিমানে লক্ষ্যস্থান চিনাক্ত কৰিব নোৱাৰে। এনে অৱস্থাৰ সৃষ্টি হ'লে ৰাইজে বিকল্প পোহৰৰ ব্যৱস্থাও এৰাই চলা উচিত বুলি জিলা আয়ুক্তগৰাকীয়ে মত পোষণ কৰে। তিনিচুকীয়া জিলাৰ অসামৰিক প্ৰতিৰক্ষা, দুৰ্যোগ ব্যৱস্থাপনা, আৰক্ষী, স্বাস্থ্য, পৌৰসভা, শক্তি, জনসংযোগ আদি সকলো বিভাগৰ সহায়ত অনুশীলন সফলতাৰে সম্পন্ন কৰা হয়।

# ২ শতাধিক বিমান বাতিল, ২৫ টা বিমান বন্দৰৰ কাম স্থগিত

## পাকিস্তানৰ আকাশতো লাগিছে তুমুল হাহাকাৰ

**নতুন দিল্লী, ৭ মে’:** আজি ২০০ তকৈও অধিক বিমান বাতিল হোৱা আৰু ২৫ টা বিমানবন্দৰে অস্থায়ীভাৱে কাম বন্ধ কৰাৰ পাছত উত্তৰ আৰু পশ্চিম ভাৰতত বিমান যাত্ৰা ব্যাহত হৈ পৰে। ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে আজি পুৱতি নিশা "অপাৰেচন সেন্দুৰ"ৰ অংশ হিচাপে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ (পিঅ'কে) সন্ত্ৰাসবাদী শিবিৰত লক্ষ্য কৰি মিছাইল আক্ৰমণ কৰাৰ ফলত এই ব্যাঘাত ঘটিছে। এই বিমান আক্ৰমণটো শেহতীয়াকৈ পহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে কৰা হৈছিল। নিৰাপত্তা আৰু আকাশ সীমাৰ সীমাবদ্ধতাৰ ফলস্বৰূপে, বুধবাৰে সন্ধিয়াৰ ভিতৰত ভাৰতৰ ২৫ টা মুখ্য বিমানবন্দৰ ৯ মে'লৈকে বন্ধ কৰি দিয়া হৈছে। সেইবোৰ হৈছে: চণ্ডীগড়, শ্ৰীনগৰ, অমৃতসৰ, লুধিয়ানা, ভুণ্টাৰ, কিষাণগড়, পাটিয়ালা, চিমলা, গগল, ভাটিণ্ডা, জয়সলমেৰ, যোধপুৰ, বিকানেৰ, হালৱাৰা, পাঠানকোট, জম্মু, লেহ আদি। ইণ্ডিগো আটাইতকৈ প্ৰভাৱিত বিমান সেৱা কিয়নো ইয়াৰ মুঠ ১৬৫ খন বিমান বাতিল কৰা হৈছে। ইফালে এয়াৰ ইণ্ডিয়াই জম্মু, শ্ৰীনগৰ, লেহ আৰু অমৃতসৰকে ধৰি কেইবাখনো চহৰলৈ অহা-যোৱা কৰা বিমানৰ চলাচল স্থগিত ৰাখিছে। ইণ্ডিগ' আৰু এয়াৰ ইণ্ডিয়াই প্ৰভাৱিত যাত্ৰীসকলক মাচুল পুনৰ নিৰ্ধাৰণ বা সম্পূৰ্ণ ধন ঘূৰাই দিয়াৰ ওপৰত ৰেহাই আগবঢ়াইছে। দেশৰ ব্যস্ততম দিল্লী বিমানবন্দৰত মাজনিশাৰ পৰা কমেও ৩৫ খন বিমান বাতিল কৰা হয়। আমেৰিকান এয়াৰলাইনছ আৰু কাটাৰ এয়াৰৱেজকে ধৰি বিদেশী কেৰিয়াৰসমূহেও কিছুমান কাৰ্যকলাপ স্থগিত ৰাখিছে। ৰয়টাৰৰ দ্বাৰা প্ৰকাশিত ফ্লাইট ট্ৰেকিং ছবিবোৰে দেখুৱাইছে যে ভাৰতৰ ওপৰত উত্তৰ-পশ্চিমআকাশ আৰু পাকিস্তানৰ আকাশসীমাৰ সম্পূৰ্ণ অংশ প্ৰায় খালী আছে, মাত্ৰ কেইখনমান বিমানহে এতিয়াও দৃশ্যমান হৈছে। পাকিস্তানত ভাৰতীয় বাহিনীৰ মিছাইল আক্ৰমণৰ পাছত পাকিস্তানৰ আকাশসীমা পৰিহাৰ কৰিবলৈ ২৫ খনতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় বিমান অন্য পথেৰে গতি কৰা বুলি আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে।



**ভাৰতৰ মিছাইল আক্ৰমণত এনেদৰে ধ্বংসস্তূপত পৰিণত হ'ল পাকিস্তানৰ সন্ত্ৰাসবাদীৰ ঘাটি, ফটো বুধবাৰ**

# ‘এয়া এক উপযুক্ত পদক্ষেপ’: বিনয় নৰৱালৰ পিতৃৰ প্ৰতিক্ৰিয়া

**নতুন দিল্লী, ৭ মে’:** ভাৰতে 'অপাৰেচন সেন্দূৰ' আৰম্ভ কৰাৰ আৰু পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ নটা স্থানত সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনিত আঘাত কৰাৰ কেইঘণ্টামানৰ পাছতে ২২ এপ্ৰিলত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত নিহত হোৱা নৌ সেনা বিষয়া লেফটেনেণ্ট বিনয় নৰৱালৰ পিতৃ ৰাজেশ নৰৱালে "উপযুক্ত পদক্ষেপ"ৰ প্ৰশংসা কৰে। "মই বাতৰি প্ৰতিবেদনবোৰ দেখিছিলো... এইটো এটা উপযুক্ত পদক্ষেপ। মানুহে মোক সুধি আছে যে মই চৰকাৰৰ পৰা কি বিচাৰোঁ। এইটো সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ অপৰাধীসকলক দিয়া উপযুক্ত প্ৰত্যুত্তৰ," তেওঁ কয়। "এইটো বহু দিন ধৰি আশা কৰা হৈছিল। মই আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমাৰ সশস্ত্ৰ বাহিনীক তেওঁলোকৰ নিৰ্ণায়ক আৰু লক্ষ্যপূৰ্ণ সঁহাৰিৰ বাবে ধন্যবাদ জনাইছো," তেওঁ লগতে কয়। সন্ত্ৰাসবাদী আক্ৰমণৰ মাত্ৰ এসপ্তাহ আগতে বিবাহপাশত আৱদ্ধ হোৱা বিনয় আৰু তেওঁৰ পত্নী হিমাংশীয়ে পেহেলগামত তেওঁলোকৰ মধুচন্দ্ৰিকা যাপন কৰি থকাৰ সময়তে সন্ত্ৰাসবাদীয়ে তেওঁক পইণ্ট-ব্লেংক ৰেঞ্জত গুলীয়াই হত্যা কৰিছিল। "যেতিয়া মই মোৰ পুত্ৰৰ নশ্বৰ দেহ সংগ্ৰহ কৰি আছিলো, তেতিয়া এনে লাগিছিল যেন মোৰ জীৱনলৈ চুনামিহে আহিল। একে মুহূৰ্তত, এটা চিন্তা মোৰ মনলৈ আহিছিল যে এই সন্ত্ৰাসবাদীসকলে লোৱা ২৬ টা জীৱন... ই কেৱল আমাৰ ৰাষ্ট্ৰক নহয় সমগ্ৰ বিশ্বক এক নতুন দিশ আৰু উদ্দেশ্য প্ৰদান কৰিব। এইটো আৰম্ভণিহে," ৰাজেশ নৰৱালে কয়।

# কংগ্ৰেছৰ সকলো দলীয় কাৰ্যসূচী বাতিল

**নতুন দিল্লী, ৭ মে’:** ভাৰতে অপাৰেচন সেন্দুৰৰ অংশ হিচাপে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ (পিঅ'কে) ভিতৰৰ সন্ত্ৰাসবাদী শিবিৰসমূহক লক্ষ্য কৰি লোৱাৰ কেইঘণ্টামানপিছত, কংগ্ৰেছৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী সংস্থা কংগ্ৰেছ ৱৰ্কিং কমিটি বৈঠকত মিলিত হয় আৰু সশস্ত্ৰ বাহিনীক "ঐক্যবদ্ধ হোৱাৰ সময়" বুলি কৈ "সম্পূৰ্ণ সমৰ্থন" ঘোষণা কৰে। সশস্ত্ৰ বাহিনীৰ সৈতে একাত্মতা স্বৰূপে, কংগ্ৰেছেও বিভিন্ন ৰাজ্যত "সংবিধান বচাও" ৰেলীকে ধৰি সকলো পৰিকল্পিত দলীয় কাৰ্যসূচী বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। এআইচিচিৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি এই সিদ্ধান্ত লোৱা হয়। বৈঠকত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী আৰু এআইচিচিৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশ আৰু কে চি বেণুগোপালো উপস্থিত আছিল।

# ছত্তীশগড়ত নক্সাল বিৰোধী অভিযানত ২৬ জন নিহত

**ছত্তীশগড়, ৭ মে’:** ছত্তীশগড়ৰ বিজাপুৰত চলি থকা নক্সাল বিৰোধী অভিযানত ২৬ জনতকৈও অধিক নক্সালবাদী নিহত হৈছে। বৃহৎ পৰিমাণৰ বিস্ফোৰক, অবৈধ অস্ত্ৰ নিৰ্মাণ কাৰখানা আৰু বিদ্ৰোহী সঁজুলি জব্দ কৰা হৈছে। আৰক্ষী বিষয়াসকলে জনাইছে যে ২১ এপ্ৰিলত কাৰাগুট্টা পাহাৰ আৰু ছত্তীশগড়-তেলেংগানা সীমান্তত অৱস্থিত পাহাৰত 'মিছন সংকল্প' নামৰ অভিযানটো আৰম্ভ কৰা হৈছিল, য'ত ২৪,০০০ সৈনিক জড়িত আছিল। এজন বিষয়াই জনোৱা মতে অভিযানৰ সময়ত এতিয়ালৈকে চিআৰপিএফৰ কোব্ৰা গোট আৰু ছত্তীশগড় আৰক্ষীৰ ডিআৰজি আৰু এছটিএফ গোটৰ ১২ জনতকৈও অধিক জোৱান আহত হৈছে। ইয়াত কোব্ৰা বিষয়া সহকাৰী কমাণ্ডেণ্ট সাগৰ বৰাদে আৰু কোবৰাৰ ২০৬ সংখ্যক বেটেলিয়নৰ আন এজন কমাণ্ডো আছে।

# ডলাৰৰ বিপৰীতে টকাৰ মূল্য ৮৪.৭৭ টকালৈ হ্ৰাস

**মুম্বাই, ৭ মে’:** বুধবাৰে আমেৰিকান ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস হৈ ৮৪.৭৭ টকা হয়। পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ সামৰিক আক্ৰমণৰ পিছত সীমান্তপাৰ উত্তেজনা বৃদ্ধি পায় আৰু ঘৰুৱা মুদ্ৰাৰ ওপৰত এই প্ৰভাৱ পৰে। ফৰেক্স ব্যৱসায়ীসকলে কৈছিল যে ভাৰতীয় সেনাই 'অপাৰেচন সেন্দুৰ' পৰিচালনা কৰাৰ পাছত বুধবাৰে ভাৰতীয় টকাৰ মূল্য হ্ৰাস পায়।

# পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশত জৰুৰী অৱস্থা ঘোষণা

**ইছলামাবাদ, ৭ মে’:** ভাৰতীয় মিছাইল আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সকলো শিক্ষানুষ্ঠান বন্ধ হৈ থকাৰ পাছতে বুধবাৰে পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হয়। পাকিস্তান সেনাই কয় যে পাঞ্জাৱ প্ৰদেশ আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ (পিঅ'কে) চহৰসমূহত মাজনিশা ভাৰতে কৰা আক্ৰমণত কমেও ২৬ জন লোক নিহত আৰু ৪৬ জন আহত হয়। "পাঞ্জাৱৰ মুখ্যমন্ত্ৰী মৰিয়ম নাৱাজে সমগ্ৰ প্ৰদেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে," পাঞ্জাৱ চৰকাৰৰ এক বিবৃতিত এইদৰে কোৱা হৈছে। পাঞ্জাৱ আৰক্ষীকে ধৰি সকলো নিৰাপত্তা সংস্থাক উচ্চ সতৰ্কতাত ৰখা হৈছে। পাঞ্জাৱৰ চিকিৎসালয়সমূহত সকলো চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ ছুটী বাতিল কৰা হৈছে। বিবৃতিটোত কোৱা হৈছে যে সকলো কৰ্মচাৰীক তৎক্ষণাৎ কৰ্তব্যৰ বাবে উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে আৰু পাঞ্জাৱৰ সকলো জিলাৰ প্ৰশাসনকো উচ্চ সতৰ্কতাত ৰখা হৈছে। সকলো প্ৰাসংগিক প্ৰতিষ্ঠানৰ বিষয়া কৰ্মচাৰীক মাতি পঠিওৱা বুলি জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চামগুৰি-বড়মপুত হিংসাত্মক পৰিস্থিতি

কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। জানিব পৰা মতে, কাঠপাৰা গাঁও পঞ্চায়তৰ কংগ্ৰেছ দলৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীগৰাকীক কোনো অচিনাক্ত লোকে প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। প্ৰাৰ্থীগৰাকীয়ে কাঠপাৰা পিয়লি ফুকন নামৰ ভোট কেন্দ্ৰটোত পৰিস্থিতিৰ বুজ ল'বলৈ যোৱাৰ সময়ত কোনো দুৰ্বৃত্তই আক্ৰমণ কৰি আহত কৰে বুলি অভিযোগ উঠিছে। পৰৱৰ্তী সময়ত আহত প্ৰাৰ্থীগৰাকীক কাৰৈমাৰী এফ আৰ ইউলৈ চিকিৎসাৰ বাবে আনে বুলি জানিব পৰা গৈছে। আনহাতে, দক্ষিণ পুটাকলং মাজুলীৰ ৯ নং ৱাৰ্ডৰ ভোট কেন্দ্ৰত কংগ্ৰেছ আৰু বিজেপি কৰ্মীৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে। উক্ত মাৰপিট ঘটনাত দুজন বিজেপি কৰ্মী আৰু দুজন কংগ্ৰেছ কৰ্মী আহত হয়। আহত কেইজনক চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। আনহাতে, সন্ধিয়া সময়ত চামগুৰি সমষ্টিৰ সোণাৰিবালিৰ ৪৬ নং এ মি স্কুলৰ ভোট কেন্দ্ৰত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ পৰিয়ালৰ লোকে বিজেপি প্ৰাৰ্থীগৰাকীৰ লগতে কেইবাজনো বিজেপি সমৰ্থকক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে বুলি জানিব পৰা গৈছে। কংগ্ৰেছ দলৰ কৰ্মীৰ আক্ৰমণত বিজেপি সমৰ্থক ক্ৰমে বিক্ৰম বণিক, দীপাংকৰ দাসগুপ্ত, জয়শংকৰ দাসগুপ্তকে ধৰি মহিলাসহ কেইবাজনো লোক আহত হয় বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে। আনহাতে, গুৰুতৰভাৱে আহত বিজেপি কৰ্মীকেইজনক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে। ইফালে, যোৱানিশা বড়মপুৰ সমষ্টিৰ অন্তৰ্গত ভৰাগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত ডিলকাবস্তিত অসম গণ পৰিষদ দলৰ কৰ্মী আৰু বিজেপি কৰ্মীৰ মাজত সংঘাতৰ সৃষ্টি হয়। বিজেপি কৰ্মীয়ে ডিলকাবস্তিত অগপ দলৰ সমৰ্থকৰ এ-এছ-০২ এক্স-০৯৩৮ নম্বৰৰ এখন বলেৰ' গাড়ী ভাঙে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি থানাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে বুলি জানিব পৰা গৈছে। ইফালে, সন্ধিয়া নামি অহাৰ লগে লগে চামগুৰিৰ কেইবাটাও ভোট গ্ৰহণ কেন্দ্ৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। আনহাতে, চামগুৰি সমষ্টিৰ দক্ষিণ পুটাকলং মাজুলীৰ ৯ নং ৱাৰ্ডৰ ভোট কেন্দ্ৰত বিজেপি আৰু কংগ্ৰেছ কৰ্মীৰ মাজত সৃষ্টি হয় প্ৰচণ্ড মাৰপিটৰ ঘটনা। মাৰপিটৰ ফলত দুজন বিজেপি কৰ্মী গুৰুতৰভাৱে আহত হয়। আহতসকল ক্ৰমে ছহিদুল ইছলাম আৰু নুৰজামাল আনচাৰী বুলি জানিব পৰা গৈছে। উক্ত ঘটনাত কংগ্ৰেছ সমৰ্থ দুজনো আহত হয়। আহত দুয়োকে নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰে।আনহাতে, কলিয়াবৰ সমষ্টিৰ ১২ নং দ্বাৰ শালনা ৩৮ নং গটঙা এল পি স্কুল ভোট কেন্দ্ৰতো ব্যাপক খেলিমেলিৰ সৃষ্টি হয়। ভোট প্ৰদানৰ ক্ষেত্ৰত দুটাকৈ কেন্দ্ৰত প্ৰায় ২৫০০ ভোটাৰ ৰাইজ অসুবিধাৰ সন্মুখীন হোৱা বুলি ভুক্তভোগীসকলে জানিবলৈ দিয়ে। বিদ্যালয়খনত পৰ্যাপ্ত পৰিমাণৰ ঠাই নথকাৰ ফলত বৃদ্ধ লোকসকলৰ লগতে সাধাৰণ ৰাইজ ঠেলা-হেঁচাৰ সন্মুখীন হোৱা বুলি জানিব পৰা গৈছে। প'লিং এজেন্টসকলো হতাহতিৰ সন্মুখীন হয়। প্ৰশাসনৰ নিৰ্লিপ্ত ভুমিকাৰ বাবেই ভোটগ্ৰহণ কাৰ্য পলম হোৱাৰ লগতে ভোটাৰ ৰাইজ সমস্যাত ভুগিবলগীয়া হয়। আনহাতে, চামগুৰি সমষ্টিৰ চামগুৰি জিলা পৰিষদৰ অন্তৰ্গত বাজিয়াগাঁও গাঁও পঞ্চায়ত মোৰামাৰী গাঁও পঞ্চায়ত কনুৱামাৰী গাঁও পঞ্চায়তকে ধৰি বিভিন্ন পঞ্চায়তসমূহৰ ভোট কেন্দ্ৰসমূহত পুৱাৰে পৰা ৰাইজে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ লানি নিছিগা ভিৰ হোৱা পৰিলক্ষিত হৈছে। আনহাতে, বড়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম জিলা পৰিষদৰ অন্তৰ্গত উদমাৰী গাঁও পঞ্চায়ত চামগুৰি গাঁও পঞ্চায়ত ভেলেউগুৰি গাঁও পঞ্চায়ত সুতাৰগাঁও পঞ্চায়তকে ধৰি বিভিন্ন পঞ্চায়তসমূহৰ ভোট কেন্দ্ৰসমূহত ৰাইজে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই অহা পৰিলক্ষিত হৈছে। আনহাতে, ১৬২ নং কৰৈগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত ২৭৪৩ নং পশ্চিম লৰিমুখ প্ৰাথমিক বিদ্যালয়ৰ ৩৭ নং ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন আৰু তেওঁৰ পত্নী আৰু পুত্ৰ তানজিল হুছেইনে ভোটাধিকাৰ সাব্যস্ত কৰে।

# হোজাই জিলাত ভোটদানৰ হাৰ ৬০ শতাংশ, জিলা আয়ুক্তই পৰিদৰ্শন কৰিলে বিভিন্ন ভোট কেন্দ্ৰ

**ই-সংবাদ, মোৰাঝাৰ, ৭ মে':** আজি দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ দিনা হোজাই জিলাত সৰু-সুৰা দুই-এটা ঘটনাৰ মাজতে একপ্ৰকাৰ শান্তিপ্ৰিয়ভাৱে ভোটদান প্ৰক্ৰিয়া সম্পন্ন হয়। হোজাই জিলাৰ বিন্নাকান্দি, হোজাই আৰু লামডিং বিধানসভা সমষ্টিৰ মুঠ ৭৭৪ টা ভোট কেন্দ্ৰত পুৱা ৭.৩০ বজাৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হয়। পুৱাৰ ভাগৰে পৰা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন চলি থকাৰ সময়তে বিভিন্ন ভোট গ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। পুৱা নীলবাগান আৰু ডবকাৰ বহু কেইটা ভোট কেন্দ্ৰত উপস্থিত হৈ পৰিদৰ্শন কৰে জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। পৰিদৰ্শন কালত আয়ুক্তগৰাকীয়ে সংবাদ মাধ্যমৰ আগত জিলাখনত শান্তিপূৰ্ণভাবে ভোট গ্ৰহণ চলিছে বুলি কয়। জিলাখনত শান্তিপূৰ্ণভাৱে যাতে ভোট গ্ৰহণ সম্পন্ন হয়, তাৰ বাবে আৰক্ষীয়েও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে, হোজাইৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পল্লৱ তামুলীয়ে নীলবাগান আৰু ডবকাৰ বিভিন্ন ভোট কেন্দ্ৰলৈ গৈ তদাৰক কৰিছে। আনহাতে সুস্থ গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত ৰাইজক সময়মতে ওলাই আহি ভোটদান সাব্যস্ত কৰিবলৈ আহবান জনায় জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। এইবাৰ হোজাই জিলাত ১২ খন জিলা পৰিষদত ৩৬ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ৬ লাখ ৩০ হাজাৰ ৬০০ গৰাকী ভোটাৰে। বাতৰি যুগুত কৰাৰ সময়লৈকে নিশা ৮.৩০ বজালৈ জানিব পৰা মতে নমাটি পঞ্চায়তৰ পুব জাৰুণীৰ এটা কেন্দ্ৰত ভোটদান চলি আছে। আনহাতে, বাতৰি লিখাৰ সময়লৈকে জিলাখনত ভোটদানৰ হাৰ ৬০ শতাংশ সম্পূৰ্ণ হৈছে যদিও তিনি-চাৰিটা ভোট কেন্দ্ৰত হাতত কুপন লৈ ভোট কেন্দ্ৰত ভোটাধিকাৰ সাৱস্ত কৰিবলৈ কিছুসংখ্যক ভোটাৰ থিয় হৈ আছে।

# লাংহিন পৌৰসভাৰ দায়িত্বভাৰ গ্ৰহণ, জিলা এবছুৰ আদৰণি

**ই-সংবাদ, ফুলনি, ৭ মে':** কাৰ্বি আংলং জিলাৰ লাংহিন নগৰস্থিত বজাৰ গৃহ প্ৰাংগণত নিখিল বড়ো ছাত্ৰ সন্থা কাৰ্বি আংলং জিলা সমিতিয়ে মঙলবাৰে লাংহিন পৌৰসভাৰ বিষয়াসকলক আদৰণি জনোৱাৰ বাবে এখনি সভা অনুষ্ঠিত কৰে। উক্ত সভাতেই লাংহিন পৌৰসভাৰ নৱনিযুক্ত অধ্যক্ষ এথেলীয়ান মোছাহাৰী, উপাধ্যক্ষ ঋতুৰাজ বৰুৱা লগতে ৱাৰ্ড কমিছনাৰ ক্ৰমে থুলেশ্বৰ নাৰ্জাৰী, যোগেন্দ্ৰ বসুমতাৰী, হেমেন বসুমতাৰী, হেৰল্ড টকবি, কৃষ্ণ মোহন বসুমতাৰী আৰু নিতিশ দেৱক নিখিল বড়ো ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠনে উষ্ম আদৰণি জনায়। উক্ত আদৰণি অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে নিখিল বড়ো ছাত্ৰ সন্থাৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি কল্যাণ ৰাভা ব্ৰহ্ম, সম্পাদক ৰঞ্জিত খাকলাৰীৰ লগতে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আনহাতে, উক্ত আদৰণি অনুষ্ঠানৰ অন্ততঃ এক ৰাজহুৱা ৰেলীৰ জৰিয়তে লাংহিন পৌৰসভাৰ বিষয়াসকলক লাংহিন পৌৰসভাৰ কাৰ্যালয়লৈ আদৰি লৈ যায়। পিছত পৌৰসভাৰ অধ্যক্ষ এথেলীয়ান মোছাহাৰী আৰু উপাধ্যক্ষ ঋতুৰাজ বৰুৱাৰ লগতে ছয় গৰাকী ৱাৰ্ড কমিছনাৰেও আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে।

## মাটিয়াত ১১ লক্ষাধিক টকাৰ নিচাজাতীয় কফ চিৰাফ জব্দ

**ই-সংবাদ, শিমলীতোলা, ৭ মে’:** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত কাৰিপাৰাত আৰক্ষীয়ে অভিযান চলাই যোৱা শুকুৰবাৰে নিশা ট্ৰাক ভৰ্তি নিচাজাতীয় কফ চিৰাফ জব্দ কৰে। মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীয়ে এক গোপন সূত্ৰৰ পম খেদি নিশা ৩ বজাত গোপালপুৰস্থিত মাটিয়া আদৰ্শ বিদ্যালয়ৰ সন্মুখৰ পৰা নিষিদ্ধ কফ চিৰাফ (কেডিয়েন ফচফেট চিৰাফ) থকা এ এছ-২৮ এ চি-০৩২৪ নম্বৰৰ টাটা ট্ৰাক এখন জব্দ কৰাৰ লগতে ড্ৰাগছ সৰবৰাহকাৰী জাহিদুল ইছলাম(২৬)ক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ট্ৰাকখনৰ পৰা ৫ হেজাৰ টা নিষিদ্ধ কফ চিৰাফৰ বটল উদ্ধাৰ কৰাৰ লগতে প্ৰায় ১১ লক্ষাধিক টকাৰ কফ চিৰাফ জব্দ কৰে বুলি জনা গৈছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী জাহিদুল ইছলামৰ ঘৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত কাৰিপাৰাত বুলি জানিব পৰা গৈছে।

### শাৰী পাতি নিয়াৰিকৈ সাব্যস্ত কৰিলে নিজৰ ভোটাধিকাৰ

## পঞ্চায়ত নিৰ্বাচনঃ পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলত ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণ

**ই-সংবাদ, বেবেজীয়া, ৭ মে’:** দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া নগাঁও জিলাৰ পশ্চিমাঞ্চলত শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। উক্ত অঞ্চলৰ পাখিমৰীয়া-জামুগুৰি জিলা পৰিষদৰ অন্তৰ্গত দক্ষিণপাট, তুলসী দেউৰী, দেওধৱ, জামুগুৰি-কুজিদাঁহ, ঘাঁহী, বেবেজীয়া-ডিমৌ-বাংঠাই আৰু কাকমাৰী পঞ্চায়তৰ লগতে কাছমাৰী জিলা পৰিষদৰ অন্তৰ্গত শেনচোৱা, কাছমাৰী, মাজ জাঁজৰি-দৰঙীয়াল, ৰাইদঙীয়া-বটদ্ৰৱা আৰু আইভেটী পঞ্চায়তৰ সকলোবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰসকলে শাৰী পাতি শৃংখলাবদ্ধভাৱে নিজৰ ভোটাধিকাৰ সাৰ্বস্ত কৰে। অৱশ্যে পুৱাৰ ভাগত অধিকাংশ ভোটকেন্দ্ৰত ভোটাৰৰ উপস্থিতি সেৰেঙা আছিল যদিও প্ৰায় ১১ বজাৰ পৰা ভোটাৰৰ সংখ্যা বৃদ্ধি পোৱাত যথেষ্ট ভিৰৰ সৃষ্টি হয়। আনকি প্ৰচণ্ড ৰ’দ আৰু গৰমকো আওকান কৰি ভোটাৰ ৰাইজে দীঘলীয়া শাৰী পাতি ভোটাধিকাৰ সাৰ্বস্ত কৰা পৰিলক্ষিত হয়। উক্ত অঞ্চলবোৰত ভোটাধিকাৰ সাব্যস্ত কৰা ভোটাৰসকলৰ ভিতৰত পুৰুষতকৈ মহিলাৰ সংখ্যা বেছি হোৱাটো লক্ষণীয় দিশ হিচাপে চিহ্নিত হৈছে। পিছে বহুকেইটা ভোটকেন্দ্ৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া লেহেমীয়া হোৱাত প্ৰচণ্ড ৰ’দৰ তাপত ভোটাৰ জীয়াতু ভুগিবলগীয়া হয়। ইফালে, ভোটগ্ৰহণ পৰ্বৰ নিৰ্ধাৰিত সময়তকৈ এক-ডেৰঘণ্টাৰ পূৰ্বেই ভোটকেন্দ্ৰবোৰৰ সমীপত নিৰ্বাচন আয়োগৰ নীতি-নিয়ম মানি চলি প্ৰাৰ্থী আৰু প্ৰাৰ্থীৰ সমৰ্থকসকলে নিজা নিজাকৈ অস্থায়ী নিৰ্বাচনী কাৰ্যালয় পাতি একপ্ৰকাৰ উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। সুন্দৰকৈ সজাই-পৰাই তোলা এই কাৰ্যালয়বোৰত নিয়াৰিকৈ চকী-টেবুল পাৰি ভোটাৰসকলৰ সুবিধাৰ্থে ভোটদান কৰিবৰ বাবে ভোটাৰ তালিকাৰ ক্ৰমিক নম্বৰৰ টুকুৰা ভোটাৰসকলক দি কাণে কাণে 'চাব দেই' বুলি আওপকীয়াকৈ ভোট ভিক্ষা কৰে। আনকি এই কাৰ্যালয়বোৰলৈ ভোটাৰসকলক মাতি নি প্ৰাৰ্থীৰ সমৰ্থকসকলে চাহ-তামোলেৰে সকলোকে আপ্যায়ন কৰাও দেখা যায়। মুঠতে সমগ্ৰ দিনটো পশ্চিম নগাঁৱৰ উক্ত গ্ৰামাঞ্চলবোৰত নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ লগতে সমৰ্থক আৰু ভোটাৰৰ ব্যস্ততাই পৰিৱেশ চকুত লগা কৰি তোলাৰ বিপৰীতে সমগ্ৰ ভোটদান প্ৰক্ৰিয়াটো নিয়াৰিকৈ সম্পন্ন হয়।

## ৰাজ্যত প্ৰতিবাদ তথা বিৰোধী দমনৰ অস্ত্ৰ হৈ পৰিছে অসম আৰক্ষী

### জোনমণি মৰাণ গ্ৰেপ্তাৰক লৈ চিপিআই(এম)ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, ৭ মে’:** বিজেপিৰ শাসনত আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনত পুলিচৰাজ প্ৰতিষ্ঠা হ'বলৈ ধৰিছে। ক্ৰমাৎ জনবিচ্ছিন্ন হ'ব ধৰা চৰকাৰখনে বিৰোধী দল-সংগঠনক দমন তথা প্ৰতিবাদী কণ্ঠ স্তব্ধ কৰাৰ বাবে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে অসম আৰক্ষীক। আৰক্ষী বাহিনীয়েও বিজেপিৰ হাতৰ পুতলা হৈ নাচিবলৈ ধৰিছে আৰু ৰাজ্যত আৰম্ভ কৰি দিছে এক প্ৰকাৰৰ পুলিচী সন্ত্ৰাস। এই অভিমত প্ৰকাশ কৰিছে চিপিআই(এম)ৰ অসম ৰাজ্যিক কমিটীয়ে। পাৰ্টিৰ ৰাজ্যিক কমিটীয়ে প্ৰকাশ কৰা এটা বিবৃতিত কোৱা হয় যে মুখ্যমন্ত্ৰীৰ কৃপাত অসম আৰক্ষীয়ে আইনৰ শাসন ভৰিৰে মোহাৰি নিজ খেয়াল-খুচি মতে ৰাজ্যৰ ঠায়ে ঠায়ে নিৰ্বিচাৰ অত্যাচাৰ আৰু আতিশয্য আৰম্ভ কৰি দিছে। শেহতীয়া উদাহৰণ হ'ল তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষীৰ দ্বাৰা বৰহাপজান গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য পদৰ প্ৰাৰ্থী জোনমণি মৰাণক গ্ৰেপ্তাৰ। পুলিচী অত্যাচাৰ আৰু বৰ্বৰতাৰ আন এক জ্বলন্ত উদাহৰণ হ'ল, তিনিচুকীয়া জিলাৰে বৰডুমচা থানাৰ আৰক্ষীৰ দ্বাৰা সঞ্জীৱ মৰাণ নামৰ যুৱকজনৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰ তথা শাৰীৰিক প্ৰহাৰ। চিপিআই(এম)ৰ ৰাজ্যিক কমিটীয়ে বিজেপিৰ মিছা আৰু মনেসজা অভিযোগৰ ভিত্তিত জোনমণি মৰাণক গ্ৰেপ্তাৰ কৰা ঘটনাক তীব্ৰ নিন্দা কৰিছে। পঞ্চায়ত নিৰ্বাচনত নিৰ্বাচনী আচৰণবিধি ভংগ কৰা ডিগবৈ বিধানসভা সমষ্টিৰ বিজেপি বিধায়ক সুৰেন ফুকনক বাধা দিবলৈ গৈ গ্ৰেপ্তাৰ হ'ব লগা হ'ল জোনমণি মৰাণ। সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমত ব্যাপকভাৱে প্ৰচাৰিত খবৰ মতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযান শেষ হোৱাৰ পাছত আৰু ভোটদান পৰ্ব আৰম্ভ হোৱাৰ কেইঘণ্টামানৰ পূৰ্বে বিধায়ক সুৰেন ফুকনে ১ মে'ৰ দিনা নিৰ্বাচনী বিধি ভংগ কৰি বৰতবাণী গাঁৱত প্ৰচাৰ চলাবলৈ যোৱাত বৰহাপজান পঞ্চায়তৰ ৱাৰ্ড সদস্য পদৰ বিজেপি-বিৰোধী মহিলা প্ৰাৰ্থীগৰাকীয়ে স্থানীয় ৰাইজৰ সহযোগত বিধায়কজনৰ কাণ্ডৰ প্ৰতিবাদ কৰিছিল আৰু ৰাইজে বিধায়কজনক খেদি পঠাইছিল। পাছত বিজেপি যুৱ মৰ্চাৰ মিছা অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ঘটনাৰ প্ৰাথমিক তদন্ত পৰ্যন্ত নকৰাকৈয়ে ৪ মে'ত জোনমণি মৰাণক গ্ৰেপ্তাৰ কৰে। ইয়াৰ বিপৰীতে মহিলা প্ৰাৰ্থীগৰাকীয়ে বিধায়ক সুৰেন ফুকন আৰু বিজেপিৰ যুৱ মৰ্চাৰ কেইবাজনো নেতাৰ বিৰুদ্ধে মহিলাক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ তুলি ডুমডুমা থানাত এজাহাৰ দাখিল কৰে যদিও এই ক্ষেত্ৰত আৰক্ষী সম্পূৰ্ণ নিৰ্লিপ্ত হৈ আছে। দৰাচলতে অসম আৰক্ষীয়ে বিজেপিৰ আঙুলিৰ ইংগিতত উঠা-বহা কৰি আছে বুলি অভিযোগ উত্থাপন কৰে। আনকি মহিলাসকলেও বিজেপি আৰু আৰক্ষীৰ ভয়-ভাবুকি, নিৰ্যাতন-উৎপীড়নৰ পৰা ৰক্ষা পোৱা নাই। চিপিআই(এম)-এ আৰক্ষীৰ ৰাজনৈতিক পক্ষপাতিত্বমূলক আচৰণৰ তীব্ৰ নিন্দা কৰিছে। উল্লেখ্য যে ডিগবৈ সমষ্টিৰ একেজন বিধায়কেই পূৰ্বতে নিৰ্বাচনী প্ৰচাৰ চলি থকাৰ সময়তো পঞ্চায়ত নিৰ্বাচনত বিজেপিক ভোট নিদিলে তেওঁলোকৰ নাম হিতাধিকাৰী আঁচনিসমূহৰ পৰা কৰ্তন কৰা হ'ব বুলি ভোটাৰ ৰাইজক মুকলিকৈ ভাবুকি দিছিল। ৰাইজৰ সুনিৰ্দিষ্ট অভিযোগ সত্বেও ৰাজ্যিক নিৰ্বাচন আয়োগে পক্ষপাতদুষ্ট ভূমিকা লৈ চকু মুদা কুলিৰ ভাও জুৰি আছিল। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে আৰক্ষীক সীমাহীন ক্ষমতা দিয়াৰ ফলত অসম আৰক্ষীয়ে এতিয়া ওভতগোৰে নাচিবলৈ আৰম্ভ কৰিছে।

## পঞ্চায়তত মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল জয়ী হ'বঃ দিলীপ কুমাৰ দাস

**ই-সংবাদ, বাঁহজানী, ৭ মে':** আজি অনুষ্ঠিত হোৱা দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলে জয় লাভ কৰিব। বিৰোধী দলে বেয়াকৈ মুখ থেকেচা খাব।- এই মন্তব্য অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক দিলীপ কুমাৰ দাসৰ। নলবাৰী বিধানসভা সমষ্টিৰ লগতে টিহু আৰু বৰক্ষেত্ৰী সমষ্টিৰ ভোট কেন্দ্ৰসমূহত উপস্থিত হৈ আৰু মানুহৰ মৰম-আদৰ দেখি অগপ নেতা দাসে কয় যে ৰাইজে উন্নয়নৰ স্বাৰ্থত মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাব। নলবাৰী সমষ্টিৰ পয়লা ভোট কেন্দ্ৰত উপস্থিত হৈ অগপ নেতা দাসে গাঁও সদস্য, আঞ্চলিক পঞ্চায়ত সদস্য আৰু জিলা পৰিষদৰ সদস্য পদত সকলো মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। উল্লেখ্য যে পুৱাৰে পৰা একাংশ দলীয় কৰ্মীক লগত লৈ অগপ নেতা দিলীপ কুমাৰ দাসে উত্তৰ নলবাৰী, টিহু, বাঁহজানী, ঘগ্ৰাপাৰ আৰু বৰক্ষেত্ৰীৰ ভোটকেন্দ্ৰসমূহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁ জিলাখনত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ হোৱা বুলি মন্তব্য কৰে।

## নাজিৰাত লোক শিল্পী কমল চন্দ্ৰ কলিতা সোঁৰৰণী বঁটা প্ৰদান অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ৭ মে':** ৰত্নগৰ্ভা তেজস্বিনী ফাউণ্ডেচনৰ উদ্যোগত বালিঘাট, নাজিৰা, শিমলুগুৰি ৰাইজৰ সহযোগত নাজিৰা নাট্য মন্দিৰত অহা ১০ মে'ত চতুৰ্থ বাৰ্ষিক লোক শিল্পী কমল চন্দ্ৰ কলিতা সোঁৰৰণী বঁটা প্ৰদান অনুষ্ঠান আৰু দিহানাম সমাৰোহৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি অসমৰ জনপ্ৰিয় টোকাৰী গীতৰ শিল্পী প্ৰণৱ দিহিঙীয়ালৈ ২০২৫ বৰ্ষৰ "লোকশিল্পী কমলচন্দ্ৰ কলিতা সোঁৰৰণী বটা" আগবঢ়োৱাৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ৩৫ গৰাকী ব্যক্তিক বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ প্ৰায় তিনি সহস্ৰাধিক মহিলাই দিহানাম পৰিৱেশন কৰিব বুলি জনাইছে উদ্যোক্তাসকলে। অনুষ্ঠানটিত সকলোৰে উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

## ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি

# ডিব্ৰুগড়ত অনুষ্ঠিত এয়াৰ ৰেইড মক এক্সাৰচাইজ

**ই-সংবাদ, ডিব্ৰুগড়, ৭ মে':** ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি সমগ্ৰ দেশজুৰি অনুষ্ঠিত হোৱা যুদ্ধকালীন সুৰক্ষা মক ড্ৰিলৰ সমান্তৰালকৈ ডিব্ৰুগড়তো যুদ্ধৰ সময়ত আকাশমাৰ্গেৰে হ'ব পৰা আক্ৰমণৰ সময়ছোৱাত ল'বলগীয়া সাৱধানতা তথা সুৰক্ষামূলক ব্যৱস্থাৰ ওপৰত এক মক ড্ৰিল কাৰ্যসূচী আজি বিয়লি ৪ বজাত ডিব্ৰুগড় চহৰৰ মাজ মজিয়াস্থিত ব্যস্ততাপূৰ্ণ এলেকা জয়ন্ত দত্ত পথ (ক'ল ৰোড)ত অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা প্ৰশাসন, দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা এই মক ড্ৰিলত অসম আৰক্ষী, এন ডি আৰ এফ, এন চি চি, স্কাউট আৰু গাইড, অগ্নি-নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা বিভাগ, বিদ্যুৎ বিভাগ তথা স্বাস্থ্য বিভাগৰ লগতে ব্যৱসায়িক সন্থাই অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী (ভাঃপ্ৰঃসে) আৰু আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী এই মক ড্ৰিলত উপস্থিত থাকি সমগ্ৰ কাৰ্যসূচীৰ বুজ লয়। এই মক ড্ৰিলৰ পাছতে এলেটোত সন্ধিয়া ৬.৩০ বজাৰ পৰা ৭ বজালৈকে ব্লেক আউটৰ অনুশীলন কৰা হয়।

# মোহনবাৰী বিমানবন্দৰ সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ নামত নামাকৰণৰ আহ্বান

**ই-সংবাদ, ডিব্ৰুগড়, ৭ মে':** অসম-অৰুণাচল-নাগালেণ্ডকে ধৰি যোগাযোগৰ অন্যতম কেন্দ্ৰস্থল ডিব্ৰুগড়স্থ মোহনবাৰী বিমানঘাটি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ নামত নামাকৰণৰ বাবে আজি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) পৰিয়ালৰ তৰফৰ পৰা জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এক পত্ৰ প্ৰেৰণ কৰিছে। এগৰাকী গায়ক, সুৰকাৰ, চলচ্চিত্ৰ নিৰ্মাতা আৰু সামাজিক কৰ্মী, যিগৰাকীৰ কৰ্মই ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বক স্পৰ্শ কৰিছিল, সেইগৰাকী মহান ব্যক্তিৰ নামত মোহনবাৰী বিমানঘাটি নামকৰণ কৰিবলৈ আহ্বান জনাইছে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় পৰিয়ালে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ নামত মোহনবাৰী বিমানবন্দৰৰ নাম নামকৰণ কৰিলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত তেখেতে আগবঢ়াই যোৱা অমূল্য অৱদানক সন্মান জনোৱা হ'ব আৰু তেওঁৰ স্মৃতি চিৰযুগমীয়া হৈ ৰ'ব লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণা হৈ থাকিব। মোহনবাৰী বিমানঘাটিৰ নাম সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ নামেৰে নামাকৰণ কৰিলে ইয়াৰ গাম্ভীৰ্যতা বৃদ্ধি পোৱাৰ লগতে শিল্পীগৰাকীৰ অৱদানক সন্মান জনোৱা হ'ব। এই সম্পৰ্কত কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনকো অৱগত কৰিছে মহাবিদ্যালয় পৰিয়ালে।

# ৰঙিয়াত সেনাবাহিনীৰ মক ড্ৰিল

**ই-সংবাদ, ৰঙিয়া,৭ মে':** সমগ্ৰ ৰাষ্ট্ৰজুৰি আজি অনুষ্ঠিত কৰা সেনাবাহিনীৰ মক ড্ৰিল প্ৰশিক্ষণ ৰঙিয়াতো অনুষ্ঠিত কৰা হয়। ৰঙিয়া ৰে'ল ষ্টেচনত ভাৰতীয় সেনা, ৰে'ল আৰক্ষী, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ উদ্যোগত অনুষ্ঠিত উক্ত কাৰ্যসূচীত যুদ্ধৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু উদ্ধাৰ অভিযানৰ প্ৰশিক্ষণ দিয়া হয়। আনহাতে, কাৰ্যসূচীত বিজেপি দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু স্থানীয় বিধায়ক ভৱেশ কলিতাও উপস্থিত থাকে।

# বিটিআৰৰ ইএম গৌতম দাসৰ ১২০টা চিলিণ্ডাৰৰ লগতে গেছৰ ষ্টভ বিতৰণ

**ই-সংবাদ, বৰপেটাৰোড, ৭ মে':** বিটিআৰৰ মহিলা আৰু শিশু উন্নয়নৰ উদ্যোগত বিটিআৰৰ ইএম গৌতম দাসে আজি বৰপেটাৰোডৰ জ্যোতিনগৰৰ গোৱৰ্দ্ধনা শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ত ১২০ টা অংগনবাড়ী কেন্দ্ৰক ১২০ টা ৰন্ধন গেছ আৰু গেছৰ চুলা বিতৰণ কৰে। বিটিআৰ চৰকাৰে এইবেলিৰ পৰা ৰন্ধন গেছ আৰু গেছৰ চুলা বিতৰণৰ ব্যৱস্থা কৰিছে। এই বছৰৰ পৰা চাৰি বছৰৰ ভিতৰত প্ৰতি বছৰে ১৫শকৈ ৰন্ধন গেছ আৰু গেছৰ চুলা প্ৰদান কৰিব আৰু আজি ৭২০ টা অংগনবাড়ী কেন্দ্ৰত গোবৰ্দ্ধনাশিশু উন্নয়ন প্ৰকল্পত ৰন্ধন গেছ আৰু গেছৰ চুলা প্ৰদান কৰা হ'ব। আজি অংগনবাড়ী কৰ্মীসকলক ৰন্ধন গেছ আৰু গেছৰ চুলা প্ৰদান কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা বিহুৱান আৰু শুভেচ্ছা পত্ৰ প্ৰদান কৰা হয়। ই এম গৰাকীয়ে কয় অংগনবাড়ী কেন্দ্ৰসমূহত শিশুসকলৰ খাদ্য ৰান্ধিবলৈ যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হয় বাবে বিটিআৰৰ তৰফৰ ৰন্ধন গেছ আৰু গেছৰ চুলাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি BTRৰ ২৩৯ টা কেন্দ্ৰত আৰু সমগ্ৰ BTRত ২২শটা টয়লেট আৰু পানী যোগান আঁচনিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ জনায়। আনহাতে, দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পুষ্টিহীন শিশুসকলক চিকিৎসাৰ বাবে অতিৰিক্তকৈ প্ৰতিদিনে চিকিৎসাৰ বাবে ২০০ টকাকৈ দিব বুলিও জনায় ই এম গৌতম দাসে। উক্ত অনুষ্ঠানত উপস্থিত থাকে CDPO সীমান্ত চৌধুৰী, বৰপেটাৰোড শাখা সাহিত্য সভাৰ সভাপতি অৰূপ বায়ন, সমাজকৰ্মী বাণীকান্ত হালৈৰ লগতে কেবাগৰাকীও ব্যক্তি।

# ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থাৰ ২০সংখ্যক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, গুৱাহাটী, ৭ মে':** আজি গুৱাহাটী মহানগৰীৰ ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থাৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস বিৰুবাৰীস্থিত সংস্থাৰ নিজা ভৱনত উদযাপন কৰা হয়। পুৱা ৯ বজাত সংস্থাৰ পতাকা উত্তোলন কৰে সংস্থাৰ সভাপতি দেৱেন্দ্ৰ নাথ বসুমতাৰীয়ে। প্ৰতিষ্ঠা দিৱস উপলক্ষে এটি নিম গছৰ পুলি ৰোপণ কৰে সংস্থাৰ প্ৰাক্তন সভাপতি ৰজনীকান্ত শৰ্মাই। যোৱা ২২ এপ্ৰিলত জম্মু আৰু কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ গুলীত মৃত্যুবৰণ কৰা নিৰীহ ব্যক্তি কেইগৰাকীৰ আত্মাৰ সদগতিৰ কামনা লগতে বিগত সময়ছোৱাত পৰলোকপ্ৰাপ্তি ঘটা সংস্থাৰ সদস্যসকলৰ প্ৰতি মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ১০ বজাত অনুষ্ঠিত সংস্থাৰ মাহেকীয়া সভাত সভাপতিত্ব কৰে সংস্থাৰ সভাপতি দেৱেন্দ্ৰ নাথ বসুমতাৰীয়ে। উপদেষ্টা ড০ ধৰণীধৰ গোস্বামী, ড০ ফণী ডেকা, ভূদেৱ গোস্বামী, ৰজনীকান্ত শৰ্মা আৰু নিহাৰেন্দ্ৰ চৌধুৰীৰ লগতে উপ-সভাপতিদ্বয় ক্ৰমে জ্যোতিষ চন্দ্ৰ শৰ্মা আৰু চন্দ্ৰ দাস উপস্থিত থকা এই সভাখনৰ আঁত ধৰে সম্পাদক কন্দৰ্প কুমাৰ নাথে। এই সভাত সংস্থাৰ বিভিন্ন কাম-কাজ আৰু উন্নয়নমূলক দিশ সম্পৰ্কত আলোচনা কৰা হয়। লগতে বৌদ্ধিক ক্ষেত্ৰৰ কিছু বিষয়ৰ ওপৰত আলোচনাৰ বাবে মত পোষণ কৰা হয়। ১১ বজাত প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাৰ শুভাৰম্ভ হয় ৰুদ্ৰ বৰুৱা ৰচিত এটি কালজয়ী গীতেৰে। সমবেত কণ্ঠৰ এই গীতটি পৰিৱেশন কৰে সংস্থাৰ সদস্য বীণা বৰ্মন আৰু তেওঁৰ সহশিল্পীসকলে। মুকলি সভাত আমন্ত্ৰিত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি শিল্পী, সাহিত্যিক, জ্যেষ্ঠ সংগীত শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে জ্যেষ্ঠ নাগৰিকসকলৰ উপযোগী বিভিন্ন দিশ সামৰি তেওঁৰ স্বভাৱসিদ্ধ ৰসাল মাত-কথাৰে সকলোকে আপ্লুত কৰে। বয়োজ্যেষ্ঠসকলৰ স্বাস্থ্য সম্পৰ্কতো তেওঁ বহু দিহা-পৰামৰ্শ আগবঢ়ায়। ভাষণ প্ৰসংগত ডাঃ চৌধুৰীয়ে অসমীয়াৰ হিয়াৰ আমঠু ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ দুটি মান চিৰসেউজ গীত পৰিৱেশন কৰি সকলোৰে মন জয় কৰে। অনুষ্ঠানত ড০ ধৰণীধৰ গোস্বামী, ৰজনীকান্ত শৰ্মা, শৈলেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, প্ৰভাত চন্দ্ৰ ডেকা আৰু পুষ্পলতা গগৈয়ে চমু ভাষণ প্ৰদান কৰাৰ উপৰি ৰুণু পাঠকে এটি স্বৰচিত কবিতা, ললিতাময়ী তালুকদাৰ আৰু বীণা বৰ্মনে বিহুগীত পৰিৱেশন কৰে। শেষত অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

# নিৰ্বাচনী বিষয়াৰ আকস্মিক মৃত্যুত শোকাস্তব্ধ কালডোবা

**ই-সংবাদ, গোলকগঞ্জ, ৭ মে':** ধুবুৰী জিলাত এগৰাকী নিৰ্বাচনী বিষয়াক শাৰীৰিক অসুস্থতা সত্বেও নিৰ্বাচনী কৰ্মত নিয়োজিত কৰাৰ বাবে নিৰ্বাচনী বিষয়াগৰাকীয়ে কৰুণ মৃত্যুক সাবটি ল'ব লগা হয় বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, সত্ৰশাল ছোৱালী মজলীয়া ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক সঞ্জীৱ কুমাৰ ৰায় দীৰ্ঘ দিনৰ পৰা আলচাৰকে ধৰি বিভিন্ন বেমাৰত ভুগি আছিল। গুৱাহাটীৰ লগতে হায়দৰাবাদলৈ গৈও তেওঁ চিকিৎসা সেৱা গ্ৰহণ কৰে। বৰ্তমানো তেওঁ চিকিৎসকৰ পৰামৰ্শ মতে ঔষধ সেৱন কৰি আহিছিল। আজিৰ দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ দায়িত্ব পালনৰ বাবে তেওঁক বিভাগীয়ভাৱে নিৰ্দেশ দিয়ে। পিছত তেওঁ চিকিৎসকৰ পৰামৰ্শ শ্লিপ লগত গাঁথি দি জিলা নিৰ্বাচনী বিষয়াক নিৰ্বাচনী দায়িত্বৰ পৰা অব্যাহতি বিচাৰি আবেদন কৰে। কিন্তু বিভাগীয় বিষয়াই তেওঁৰ আবেদন অগ্ৰাহ্য কৰে। এই সন্দৰ্ভত মেডিকেল বোৰ্ডে তেওঁৰ নথি-পত্ৰ প্ৰমাণ কৰি আশ্চৰ্যজনকভাৱে শাৰীৰিকভাৱে সুস্থ বুলি প্ৰমাণপত্ৰ প্ৰদান কৰে। যাৰ বাবে তেওঁ কৰ্তব্য পালন কৰিবলৈ বাধ্য হৈ পৰে। সেই মতে তেওঁ প্ৰয়োজনীয় প্ৰশিক্ষণ গ্ৰহণ কৰে। কালি পুৱা বিভাগীয় নিৰ্দেশ মতে পুৱা চাৰি বজাত কৰ্তব্যত যোগদান কৰাৰ বাবে ঘৰৰ পৰা তেওঁ ওলাই যায়। বাটতে তেওঁ অসুস্থ হৈ পৰে। ততাতৈয়াকৈ তেওঁক ধুবুৰীৰ এখন ব্যক্তিগত নাৰ্চিংহোমলৈ নিয়া হয়। অৱস্থাৰ অৱনতিহোৱাত সন্ধিয়া চিকিৎসকে তেওঁক গুৱাহাটীলৈ নিয়াৰ পৰামৰ্শ দিয়ে। গুৱাহাটী বেছি দূৰ হোৱাত কাষতে থকা পশ্চিমবংগৰ কোচবিহাৰলৈ নিয়াৰ সময়তে আধা বাটত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ একচল্লিছ বছৰ। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। নিশা ঘৰখনত যথেষ্ট সংখ্যক লোকৰ সমাগম হয়। জিলা প্ৰশাসনৰ আঁকোৰগোজ স্বভাৱ আৰু মেডিকেল বোৰ্ডৰ দায়িত্ব জ্ঞানহীনতাৰ বাবে অকালতে তেওঁৰ মৃত্যু হোৱা বুলি ৰাইজ অভিযোগ কৰে। নিশাই তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁ এটি পাঁচ বছৰীয়া কন্যা সন্তান, পত্নীক এৰি থৈ যায়।

# তামুলপুৰত কচুবাৰী যুৱক সংঘৰ সৌজন্যত সোণালী জয়ন্তী বৰ্ষ ৰঙালী বিহু উদযাপন

**ই-সংবাদ, তামুলপুৰ, ৭ মে':** আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কচুবাৰী বণিক সন্থাৰ বাকৰিত কচুবাৰী যুৱক সংঘৰ ৰঙালী বিহু সন্মিলনীৰ 'সোণালী জয়ন্তী' বৰ্ষ আৰম্ভ হৈছে। কাৰ্যসূচী অনুসৰি আজি পুৱা বিহুৰ মুখ্য পতাকা উত্তোলন কৰে সোণালী জয়ন্তী বৰ্ষ বিহু উদযাপন সমিতিৰ সভাপতি জলেন দৈমাৰী আৰু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি সুৰেন ৰাভাই। কচুবাৰী যুৱক সংঘৰ পতাকা উত্তোলন কৰে সভাপতি গণেশ ৰাভাই। পতাকা উত্তোলন অনুষ্ঠানত অঞ্চলটোৰ সমাজকৰ্মীসকলৰ দ্বাৰা মুঠ পঞ্চাশখন পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে বিধায়ক জলেন দৈমাৰীয়ে কয়, 'কচুবাৰী যুৱক সংঘই অসমীয়াৰ স্বাভীমান ৰঙালী বিহুৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰিব পৰাটো আমাৰ বাবে অঞ্চলটোৰ বাবে গৌৰৱবোধ কৰিছো। লগতে মই নিজেও গৌৰৱান্বিত হৈছো। বিটিআৰৰ শান্তি আৰু উন্নয়নৰ সংগ্ৰাম খন কচুবাৰীৰ ৰঙালী বিহুতলীৰ পৰা আপোনাসকলৰ সহায় সহযোগত আগবাঢ়ি যাওক।' তেওঁ কচুবাৰীত চিকিৎসা মহাবিদ্যালয় থকাৰ কথা কোৱাৰ লগতে ইয়াৰ পৰাই তামুলপুৰৰ সৰ্বাংগীন উন্নয়নৰ ধাৰা অব্যাহত থাকক বুলি ৰাইজৰ সহায়-সহযোগ কামনা কৰি সকলোৰে পৰা বিধায়কগৰাকীয়ে আশীৰ্বাদ বিচাৰে। ইপিনে, পতাকা উত্তোলনৰ পিছতে স্মৃতি তৰ্পণ অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে কচুবাৰী যুৱক সংঘৰ প্ৰতিষ্ঠাপক সভাপতি তথা বড়োলেণ্ড সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি কামেশ্বৰ দাসে। দাসে প্ৰতিষ্ঠা কালৰ কথা সোঁৱৰাই কচুবাৰী যুৱক সংঘই কিদৰে আজিৰ পৰা পঞ্চাশ বছৰ পূৰ্বে আড়ম্বৰপূৰ্ণভাৱে ৰঙালী বিহুৰ আয়োজন কৰিছিল তাৰ এক সুন্দৰ বাখ্যা দাঙি ধৰে। পুৱা ১০ বজাত সোণালী জয়ন্তীৰ মূল তোৰণ উন্মোচন কৰে বিশিষ্ট চিকিৎসক ডাঃ কংকন চন্দ্ৰ ৰাভাই। পুৱা ১০.৩০ বজাত ৰভাতলী উন্মোচন কৰে আন্তৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ ৰাজ্যিক সম্পাদক, যুৱ সমাজকৰ্মী দয়াল দাসে। পুৱা ১০.৪৫ বজাত মঞ্চ উন্মোচন কৰে চিকিৎসক ডাঃ মুনিন কুমাৰ দাসে। পুৱা ১১.১৫ বজাত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক ৰাজেশ বড়োই। আবেলি ৪ বজাত স্মৃতিগ্ৰন্থ উন্মোচন আৰু কচুবাৰী যুৱক সংঘৰ ন-পুৰণি সদস্যসকলৰ সন্মিলন আৰম্ভ হয়। স্মৃতিগ্ৰন্থ উন্মোচন কৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাৰায়ণ ব্ৰহ্মই।

# মদাৰখাত মেলেঙীয়াল গাঁৱৰ নামঘৰত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ৪৭২ সংখ্যক তিথি পালন

**ই-সংবাদ, ডিব্ৰুগড়, ৭ মে':** শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, গোপালদেৱৰ পৰৱৰ্তী ধৰ্মগুৰু, সমাজ সংস্কাৰক, সাহিত্যিক, গীতিকাৰ, মায়ামৰা ধৰ্ম প্ৰতিষ্ঠাপক শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ৪৭২ সংখ্যক আবিৰ্ভৱ তিথি উপলক্ষে ৬ মে'ত মদাৰখাত মৌজাৰ মেলেঙীয়াল গাঁৱৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ নামঘৰত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। গাঁৱৰ গাঁওবুঢ়া কৰুণা গগৈয়ে ধৰ্মধ্বজা উত্তোলন কৰি তীৰ্থ হাজৰিকাই গুৰুলৈ সেৱা আগবঢ়াই বন্তি প্ৰজ্বলন কৰাৰ পিছতে শাস্ত্ৰ থাপনা কৰে ৰামেশ্বৰ হাজৰিকাই। সম্বিত দত্ত, খগেন দত্তই ভক্তিমংগল ঘোষা পাঠ কৰাৰ লগতে শশধৰ দুৱৰাই ব্যাখ্যা আগবঢ়ায়। এই অনুষ্ঠানতে সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক বিদ্যা দত্ত, জিলা সভাপতি চিলন্ত লাহনৰ লগতে উপস্থিত প্ৰায় আঠখন গাঁৱৰ পৰা অহা গাঁওবুঢ়া, ভকত-বৈষ্ণৱসকলক সম্বৰ্ধনা জনোৱা হয়। শাস্ত্ৰ ব্যাখ্যাকাৰ তথা সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ জিলা সম্পাদক ভবেন চেতিয়াই মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ মায়ামৰা সমাজ তথা অসমীয়া সমাজলৈ আগবঢ়াই থৈ যোৱা অৱদানৰ বিষয়ে আলোকপাত কৰে। আয়োজক সমিতিৰ যাদৱ গগৈযে আঁত ধৰা অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ জিতেন হাজৰিকাই অসমীয়া সমাজত বৰ্তমান মানুহৰ বাবে ধৰ্মতকৈ ধৰ্ম বাবেহে মানুহ হিচাপে গণ্য কৰা দেখা বুলি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰাৰ লগতে বৰ্তমান মহাপুৰুষজনাৰ আদৰ্শ কৰ্মক একাংশ লোকে নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰি কলুষিত কৰা বুলিও কয়। এই অনুষ্ঠানতে আন এগৰাকী বিশিষ্ট ব্যক্তি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে আজিৰ পৰা চাৰিশ বছৰৰ পূৰ্বে কবি-সাহিত্যিক, গীতিকাৰ, ধৰ্ম প্ৰচাৰক তথা সমাজ সংস্কাৰক অনিৰুদ্ধদেৱে শ্ৰেণীবৈষম্যহীন এখন সমাজ প্ৰতিষ্ঠাৰ বাবে কিদৰে নিজকে উছৰ্গা কৰিছিল সেই সম্পৰ্কে তথ্যসহকাৰে ব্যক্ত কৰে। গাঁওখনৰ মহিলাসকলে অনিৰুদ্ধদেৱৰ গীত আৰু অপ্সৰা গগৈয়ে সত্ৰীয়া নৃত্য পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। মদাৰখাত সম্মিলিত গায়ন-বায়ন দলে বৰ-ধেমালি আৰু অনিৰুদ্ধদেৱ ৰচিত গীতৰ গায়ন-বায়ন পৰিৱেশন কৰে। সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ মদাৰখাত উত্তৰ-পূব আঞ্চলিক সমিতিৰ সভাপতি প্ৰবীণ দত্ত আৰু সম্পাদক বাবুল ফুকনে আগন্তুক ২০২৬ বৰ্ষত মদাৰখাত গোহাঁই গাঁৱত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ আবিৰ্ভাৱ তিথি অনুষ্ঠিত কৰাৰ বাবে সমজুৱাকৈ ধৰ্মধ্বজা অৰ্পণ কৰে। সমজুৱা সেৱা আৰু প্ৰসাদ গ্ৰহণৰ পিছত নামঘৰ চৌহদ আৰু গাঁৱৰ প্ৰতি ঘৰৰ পদূলিত বন্তি প্ৰজ্বলন কৰি গুৰুজনালৈ সেৱা জনাই অনুষ্ঠান সামৰা হয়।

# কোকৰাঝাৰ ৰে'ল ষ্টেচনত ম'কড্ৰিল কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, কোকৰাঝাৰ, ৭ মে':** ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধিৰ লগে লগে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে দেশৰ ২৪৪খন জিলাত ৭ মে' ২০২৫ত নাগৰিক সুৰক্ষাৰ খাতিৰত মক ড্ৰিল পৰিচালনাৰ নিৰ্দেশ দিছে। এই নিৰ্দেশ অনুসৰি আজি সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ কোকৰাঝাৰতো মকড্ৰিল কাৰ্যসূচী ৰূপায়ন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত কোকৰাঝাৰ ৰে'লৱে ষ্টেচনত মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়। কোকৰাঝাৰত মকড্ৰিল কাৰ্যসূচীত অসম পুলিচ, এনডিআৰএফ, অগ্নি নিৰ্বাপক বাহিনী, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ, এনচিচি, স্কাউট আৰু অন্যান্য সংস্থাই অংশগ্ৰহণ কৰে। আনহাতে উক্ত কাৰ্যসূচীত উপস্থিত থাকি জিলা আয়ুক্ত মাছান্দা এম পাৰ্টিনে কয় মকড্ৰিল কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ সুৰক্ষাৰ ক্ষেত্ৰত সজাগ কৰাৰ চেষ্টা চলোৱা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ তথ্য অনুসৰি কোকৰাঝাৰ হ'ল গ্ৰুপ চি কেটেগৰীৰ জিলা আৰু কোনো ঘটনা সংঘটিত হলে তথা জৰুৰীকালিন সময়ছোৱাত নাগৰিকসকল যাতে মানসিকভাৱে শক্তিশালী হৈ থাকিব পাৰে আৰু তেনে পৰিস্থিতিত নিজৰ কৰণীয়খিনি সুকলমে কৰিব পাৰে তাৰেই সজাগতাৰ বাবে মকড্ৰিল কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল বুলি সদৰি কৰিছে জিলা আয়ুক্ত মাচিন্দা এম পাৰ্টিনে। ইয়াৰোপৰি সন্ধিয়া ব্লেকআউট কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। উল্লেখ্য যে জৰুৰীকালীন অৱস্থাত বিভিন্ন বিষয়ক লৈ 'মকড্ৰিল'ৰ জৰিয়তে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰা হৈছে।

# নগাঁৱৰ গ্ৰামাঞ্চলত কণীযুক্ত মাছৰ অবাধ বেহা, কুম্ভকৰ্ণ নিদ্ৰাত অকৰ্মণ্য মীন বিভাগ

**ই-সংবাদ, বেবেজীয়া, ৭ মে':** নগাঁও জিলাৰ পশ্চিমাঞ্চলত বৰ্তমান মীন বিভাগৰ চূড়ান্ত অৱহেলা আৰু অকৰ্মণ্যতাৰ পূৰ্ণ সুযোগ গ্ৰহন কৰি এচাম অসাধু ব্যৱসায়ীয়ে ব্যাপক হাৰত পোণা মাছৰ লগতে কণীযুক্ত মাছৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা পৰিলক্ষিত হৈছে। প্ৰাপ্ত খবৰ মতে, জিলাখনৰ বেবেজীয়া, দক্ষিণপাট, বৰক'লা, ঘাঁহী, ম'হমৰীয়া, পেটবহা, ফুলগুৰি, ডিমৌ, হাতীচোং, জামুগুৰি, জাজৰি, দলংঘাট, ভালুকমাৰী, চকলাঘাট, কাছমাৰী,ৰাইদঙীয়া, বটদ্ৰৱা, শান্তিজান, টুকটুকী, বৰিবজাৰ, কুঁজি আদি অঞ্চলৰ বজাৰত এতিয়া নিৰ্বিঘ্নে অব্যাহত আছে পোণা আৰু কণীযুক্ত মাছৰ বেহা। কাজেই, থলুৱা মাছৰ সংৰক্ষণৰ প্ৰতি ভাৰতীয় মীন আইনে প্ৰৱৰ্তন কৰা কঠোৰ আইনক উপলুঙা কৰি অসাধু ব্যৱসায়ী চক্ৰই এনেদৰে নিতৌ নানা বিৰল প্ৰজাতিৰ থলুৱা কণীলগা মাছবোৰ বিক্ৰী কৰি অহাত এনে বহু প্ৰজাতিৰ থলুৱা মাছ সম্প্ৰতি বিলুপ্তিৰ পথত আগবাঢ়িছে। তৎসত্ত্বেও মীন বিভাগে এনে অনিয়ম দেখি-শুনিও নিৰবে হাট সাৰটি থকাত জিলাখনৰ সচেতন মহলে গভীৰ খেদ প্ৰকাশ কৰিছে। বৰ্তমান অসাধু মৎস্য ব্যৱসায়ী চক্ৰটোয়ে সম্পূৰ্ণ মইমতালিৰে বিভিন্ন স্থানত থকা নদ-নদী, জলাশয়, খাল-বিল, পুখুৰী আদিৰ পৰা থলুৱা বিৰল প্ৰজাতিৰ কণীযুক্ত মাছ ধৰি নিৰ্ভয়ে বিক্ৰী কৰি থলুৱা প্ৰজাতিৰ মাছৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিছে। স্মৰ্তব্য যে, ভাৰতীয় মীন আইন ১৯৯৭ ৰ সংশোধনী ধাৰা মতে বছৰৰ পহিলা এপ্ৰিলৰ পৰা জুন মাহৰ পোন্ধৰ তাৰিখলৈকে এই সময়ছোৱাত ৰাজ্যৰ সকলো পানী থকা ঠাইত আঢ়ৈ ইঞ্চিতকৈ সৰু ফুটাযুক্ত সকলো ধৰণৰ জালেৰে মাছ ধৰা আৰু এনেবোৰ জাল বিক্ৰী কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ । কিন্তু চৰম আশ্চৰ্যজনকভাৱে নগাঁৱৰ পশ্চিমাঞ্চলত এনে নিষেধাজ্ঞা মানি চলা নাই মৎস্য ব্যৱসায়ীসকলে। ফলস্বৰূপে জিলাখনৰ সকলোবোৰ হাট-বজাৰ তথা ব্যৱসায়িক স্থানত সম্প্ৰতি বৌ, বৰালি, কাৱৈ, গৰৈ, পুঠি, মিৰিকা,তুৰা, খলিহনা, কুঁহি আদিকে ধৰি বহু প্ৰজাতিৰ থলুৱা কণীযুক্ত মাছবোৰ সুলভ হৈ পৰিছে। সেয়ে এনে অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে নগঞা সচেতন মহলে। নহ'লে বিৰল প্ৰজাতিৰ মাছবোৰ বিলুপ্ত হৈ যোৱাৰ আশংকা কৰে।

# টেষ্ট ক্ৰিকেট ৰেংকিঙত যশস্বী, ঋষভৰ উত্থান

**ডুবাই, ৭ মে':** শেহতীয়া আই চি চিৰ পুৰুষৰ টেষ্ট ৰেংকিঙত দেখা হৈছে এক নতুন চমক। ভাৰতৰ ৰবীন্দ্ৰ জাডেজাই অল ৰাউণ্ডাৰ তালিকাত শীৰ্ষ স্থান অক্ষুণ্ণ ৰখাৰ বিপৰীতে বাংলাদেশৰ মেহেদী হাছান মিৰাজে ইতিহাস ৰচনা কৰে। টেষ্ট অলৰাউণ্ডাৰ তালিকাত তেওঁ এখোজ জপিয়াই দ্বিতীয় স্থান লাভ কৰে। বাংলাদেশী অল ৰাউণ্ডাৰে এই উচ্চতাত উপনীত হৈছে। আনহাতে, যশস্বী জয়ছোৱাল আৰু ঋষভ পন্তই টেষ্ট বেটছমেন ৰেংকিঙত যথেষ্ট উন্নতি সাধন কৰিছে। টেষ্ট বলাৰৰ তালিকাত শীৰ্ষ স্থানত আছে ভাৰতৰ যশপ্ৰীত বুমৰাহ। জিম্বাব'ৱেৰ বিৰুদ্ধে সদ্য সমাপ্ত হোৱা শৃংখলাত মেহেদী হাছান মিৰাজে শতকসহ ১১৬ ৰান সংগ্ৰহ কৰাৰ লগতে ১৫টা উইকেট দখল কৰি কেৰিয়াৰৰ সৰ্বোচ্চ ৩২৭ ৰেটিং পইণ্ট লাভ কৰিছে। সেই প্ৰদৰ্শনৰ বাবেই তেওঁ দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জান্সেনক অতিক্ৰম কৰি দ্বিতীয় স্থানলৈ উঠিছে। ৪০০ ৰেটিং পইণ্টেৰে শীৰ্ষত আছে ৰবীন্দ্ৰ জাডেজা। কিন্তু এই সফলতাৰ পিছতো বাংলাদেশ দলটোৱে টেষ্ট শৃংখলাত জয়ী হ'ব নোৱাৰিলে। জিম্বাব'ৱেৰ বিৰুদ্ধে খেলখন ১-১ গ'লত ড্ৰ'ত সমাপ্ত হয়। মিৰাজৰ দ্ৰুত গতি দলৰ বাবে যথেষ্ট নাছিল। হাছান বেটিং ৰেংকিঙতো ৮ স্থান ওপৰলৈ উঠিছে। বেটেৰে শতক অৰ্জনৰ পিছত এতিয়া তেওঁ ৫৫ নম্বৰ স্থানত আছে।



ইফালে, ভাৰতীয় অল ৰাউণ্ডাৰৰ তালিকাত স্থান লাভ কৰিছে আন এজন খেলুৱৈ- অক্ষৰ পেটেল। ২২০ ৰেটিং পইণ্টেৰে দ্বাদশ স্থানত আছে অক্ষৰ। অৰ্থাৎ শীৰ্ষ ১২ ৰ ভিতৰত জাডেজা আৰু অক্ষৰ পেটেল দুজন ভাৰতীয়। একে সময়তে ভাৰতৰ যশস্বী জয়ছৱালে বেটিং ৰেংকিঙত চতুৰ্থ স্থানলৈ উন্নীত হৈছে। দশম স্থানত উপনীত হৈছে ঋষভ পন্ত। শীৰ্ষত আছে ইংলেণ্ডৰ জো ৰুট, যিয়ে ৮৯৫ ৰেটিং পইণ্ট লাভ কৰিছে। আনহাতে, ৯০৮ ৰেটিং পইণ্টেৰে বলাৰৰ ৰেংকিঙৰ শীৰ্ষত আছে যশপ্ৰীত বুমৰাহ। ৭৪৫ পইণ্টেৰে শীৰ্ষ ১০ ৰ তালিকাৰ একমাত্ৰ ভাৰতীয় প্ৰতিনিধি জাদেজা। এই ৰেংকিঙত ভাৰত আৰু বাংলাদেশৰ আধিপত্যৰ বাবে ক্ৰিকেট জগতখনে শলাগ লৈছে।




আইপিএল ২০২৫: কলকাতা বনাম চেন্নাইৰ মেচত আন্দ্ৰে ৰাছেলৰ উইকেট ষ্টাম্পিং এম এছ ধোনীৰ

## ধাৰাবাহিক দুৰ্বল প্ৰদৰ্শনৰ বাবে নেতৃত্ব হেৰুওৱাৰ আশংকা!

# হঠাৎ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা 'হিটমেন' ৰোহিতৰ

**মুম্বাই, ৭ মে':** চেম্পিয়নছ ট্ৰফী জয় কৰাৰ পিছত সকলোৱে ভাবিছিল যে আগন্তুক ইংলেণ্ড ভ্ৰমণত ভাৰতীয় দলটোক নেতৃত্ব দিব ৰোহিত শৰ্মাই। কিন্তু হঠাৎ সিদ্ধান্ত সলনি হ'ল 'হিটমেন'ৰ! আকস্মিকভাৱে ৰোহিত শৰ্মাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ক্ৰিকেট মহলত। ইনষ্টাগ্ৰামত তেওঁ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা ঘোষণা কৰে। কিন্তু এনে সিদ্ধান্ত কিয়? বিচিচিআইৰ সূত্ৰ অনুসৰি ৰেডবল ক্ৰিকেটত তেওঁৰ দুৰ্বল প্ৰদৰ্শনৰ বাবে নেতৃত্ব হেৰুৱাৰ আশংকা সৃষ্টি হৈছিল। ক্ৰিকেট সমাজৰ মতে, ৰোহিতে এনে এটা ইংগিত পোৱাৰ পিছতে এই ডাঙৰ সিদ্ধান্ত লয়। ৰোহিতে এটা ইনষ্টাগ্ৰাম পোষ্টত লিখিছে, "নমস্কাৰ সকলোকে। আজি মই সকলোকে জনাব বিচাৰিছো যে মই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লৈছো। বগা বল ক্ৰিকেটত নিজৰ দেশক প্ৰতিনিধিত্ব কৰাটো মোৰ বাবে এক সন্মানৰ বিষয়। বছৰ বছৰ ধৰি সকলোৱে মৰম আৰু সমৰ্থনৰ বাবে ধন্যবাদ। মই এদিনীয়া খেলত খেলিম।" যদিও এই ঘোষণাৰ পিছত অনুৰাগীসকল স্তম্ভিত হৈ পৰিছে, তথাপিও বহুতে তেওঁৰ সিদ্ধান্তক আদৰণি জনাইছে। অৱশ্যে ৰোহিতৰ অৱসৰৰ আঁৰৰ ডাঙৰ কাৰণটো হ'ল তেওঁৰ শেহতীয়া ফৰ্ম। ৰেডবল ক্ৰিকেটত তেওঁৰ প্ৰদৰ্শন একেবাৰে অনুকূল নহয়। যোৱা ১০খন টেষ্টত তেওঁ মাত্ৰ ১৬৪ ৰানহে কৰিছে। পাঁচটা ইনিংছত গড় ৬.২০ ৰান। ফৰ্ম ইমানেই বেয়া আছিল যে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী খেলত ৰোহিতে নিজেই দলৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত লৈছিল। ইয়াৰ পূৰ্বে যোৱা বছৰৰ শেষৰ ফালে ঘৰুৱা ক্ষেত্ৰত নিউজিলেণ্ডৰ বিৰুদ্ধে তিনিখন মেচৰ টেষ্ট শৃংখলাত তেওঁৰ গড় আছিল মাত্ৰ ১৫.১৬। এনে প্ৰদৰ্শনৰ পিছত স্বাভাৱিকতে বিচিচিআইৰ ভিতৰত তেওঁৰ নেতৃত্বক লৈ প্ৰশ্নৰ উত্থাপন হৈছিল। বিচিচিআইৰ সূত্ৰ অনুসৰি ইংলেণ্ড ভ্ৰমণৰ বাবে নতুন অধিনায়ক বিচাৰিছে নিৰ্বাচকসকলে। এক সূত্ৰই জনোৱা মতে, নিৰ্বাচকসকলৰ চিন্তাধাৰা স্পষ্ট। ইংলেণ্ড ভ্ৰমণৰ বাবে নতুন অধিনায়ক বিচাৰে। ৰেডবল ক্ৰিকেটত অধিনায়ক হ'বলৈ যোগ্য নহয় ৰোহিত। এনে পৰিস্থিতিত নিৰ্বাচকসকলে পৰৱৰ্তী টেষ্ট শৃংখলাৰ বাবে এজন যুৱ নেতাৰ সন্ধান কৰিব বিচাৰে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি